# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

PROCEEDING OF THE FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

ASSEMBLY
DISPUR

## BUDGET SESSION

VOLUME—XIV

No. 9

DATED THE 19TH. FEBRUARY 1976

सत्यमेव जयते

1976

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

(Budget Session)

Volume—XIV

No. 9

Dated the 19th February, 1976.

.....................

Contents


| | | | Page |
|---|---|---|---|
| 1. | Questions. | ... | 1 |
| 2. | Colling Attention Notice. | ... | 30 |
| 3. | Presentation of Supplementary Demands for Grants and Supplementary Appropriations for 1975-76 | ... | 34 |
| 4. | Laying of Report | ... | 34 |
| 5. | Motion for consideration of adoption of the Report of the Committee of Privileges. | | 35 |
| 6. | The Assam Motor Vehicles Taxation (Amendment) Bill, 1976. | | 35 |
| 7. | The Assam Land Revenue and Rent (Surcharge) (Amendment) Bill, 1976. | | 54 |
| 8. | Discussion Under Rule 49. | ... | 57 |
| 9. | Adjournment | ... | 63 |

## PROCEEDINGS OF THE FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

**The house met in the Assembly Chamber, Dispur, Gauhati on Thursday, the 19th February, 1976 with the Speaker in the chair, 13 ( thirteen ) Ministers, 5 (five) Ministers of State, 1 (one) Deputy Minister, 56 (fifty six) Members present.**

### STARRED

### QUESTIONS AND ANSWERS

Date ; 19th February, 1976

### বিঃ গোলাঘাট গৱৰ্ণমেণ্ট হায়াৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ প্ৰদীপ শৰ্ম্মা তামুলীৰ মৃত্যু

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৯৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোলাঘাট মহকুমাৰ গোলাঘাট গৱৰ্ণমেণ্ট হায়াৰ চেকেণ্ডাৰী স্কুলৰ একাদশ শ্ৰেণীৰ ছাত্ৰ শ্ৰীপ্ৰদীপ শৰ্ম্মা তামুলী নামৰ ল'ৰাজনে যোৱা ১০।৩।৭৫ তাৰিখে হেৰাল, চৰকাৰে জানেনে ?

(খ) যদি জানে যোৱা ১৪।৩।৭৫ তাৰিখে ধনশ্ৰী নৈত এই ল'ৰাজনৰ মৃত দেহ পোৱা কথাটো সঁচানে ?

(গ) যদি সঁচা হয়, উক্ত প্ৰদীপ শৰ্ম্মা তামুলী নামৰ ল'ৰাজনৰ কেনেকৈ মৃত্যু হল চৰকাৰে কিবা তদন্ত কৰিলেনে ?

(ঘ) যদি কৰিলে তেনেহলে এই সম্পৰ্কত কোনো লোকক দোষী সাব্যস্ত কৰা হৈছে নেকি আৰু ল'ৰাজনৰ মৃত্যুৰ ৰহস্য কিবা উদঘাটন হ'লনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৯৪। (ক) হয়, জানে।

(খ) হয়, সঁচা।

(গ) আৰু (ঘ) এই সম্পৰ্কত গোলাঘাট থানাত U/D Case No. 15/75 ৰেজিষ্টাৰ কৰা হৈছে। বৰ্ত্তমান বিষয়টো অনুসন্ধান পৰ্য্যায়ত।

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, ১০।৩।৭৫ তাৰিখৰ পৰা আজিলৈকে প্ৰায় কতিয়া বছৰে এবছৰেই হল এই এবছৰৰ ভিতৰত অনুসন্ধানটোৱে শেষ হোৱা নাই। এই অনুসন্ধানবোৰ কেনেদৰে কৰা হৈছে আৰু শেষ হবলৈয়ে বা কিমান দিন লাগিব ?

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ (মন্ত্ৰী)-অনুসন্ধান প্ৰচলিত নিয়ম মতেই চলি আছে। মেডিকেল ৰিপোৰ্টত দেখা গল যে তেওঁলোকে কোনো যুক্তি যুক্ত সিদ্ধান্ত দিব নোৱাৰিলে তেওঁলোকে পানীত পৰি মৰা বুলিয়েই ভাৱ কিন্তু আমাৰ ফালৰ পৰা আমি সেই ৰিপোৰ্টত সন্তোষ্ট নাথাকি পুনৰ তথ্য পাতি বিলাক ফৰেন্‌চিক লেবৰেটৰী লৈ পঠিয়াছো। আৰু তাত পৰীক্ষা-পাতিত কিছু সময় লাগে। সেই কাৰণেই অলপ পলম হৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ এই ছাত্ৰ জনক সেই তাৰিখত কোনো এখন জীপ গাড়ীয়ে তুলি লৈ গৈছিল আৰু ঘটনাটো সেই খণ্ডতে ঘটিছিল সচাঁনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ (মন্ত্ৰী)-অধ্যক্ষ মহোদয়, সকলো খিনি কথা এতিয়া তদন্ত পৰ্য্যায়ত পৰি আছে। গতিকে এনে ধৰণৰ কথাত বৰ্ত্তমানে উত্তৰ নিদিয়াটোৱে ভাল হব।

### বিঃ কোকৰাঝাৰ কলেজ হোষ্টেল

শ্ৰীগোলক চন্দ্ৰ পাটগিৰিয়ে সুধিছে ঃ

*৯৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

১৯৭৫ চনৰ ৪ এপ্ৰিল তাৰিখৰ পৰা চিহ্নিত ৬১৯ নং প্ৰশ্নৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰ কলেজৰ হোষ্টেলত শ্ৰীবিপেন্দ্ৰ নাথ বসুমতাৰীক নিঃসহায় অৱস্থাত মাৰপিট কৰা দুবৃত্ত সকলক আয়ত্ব কৰা হ'ল নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯৫। অপৰাধীজন এতিয়াও পলাতক অৱস্থাতে আছে আৰু সেইদেখি তেওঁক আয়ত্ব কৰিব পৰা নাই।

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি ঃ ইয়াৰ অপৰাধী ব্যক্তিজন কোকৰাঝাৰ টাউনৰ ভিতৰতেই ঘুৰি ফুৰা দেখা যায় তেনে স্থলত পুলিচে কি কাৰণে ধৰিব পৰা নাই ? মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া : (মন্ত্ৰী)-পৰাপক্ষত পুলিচে নধৰা নহয় এই অপৰাধী জনৰ বিৰুদ্ধে নন্‌বেইলেবল পৰোৱানা জাৰি কৰা হৈছে আৰু লগতে এনেকুৱা নিৰ্দেশো দিয়া হৈছে যে কোনোবাই কিবা সন্ধান পালে সেই সন্ধান আমাক দিয়ে আমি যথাযথ ব্যৱস্থা গ্ৰহণ কৰিম বুলিও জাননী দিয়া হৈছে। কিন্তু এতিয়ালৈকে কোনো সন্ধান পোৱা হোৱা নাই।

শ্ৰীপ্ৰেমেধৰ বৰা : আচামী জনৰ নাম কি? আৰু তাৰ বাপেকৰ নাম কি?

শ্ৰীহিতেশ্বৰ শইকীয়া : (মন্ত্ৰী)-আচামী জনৰ নাম প্ৰেমসিং ব্ৰহ্ম। অৱশ্যে তাৰ বাপেকৰ নাম নাই।

শ্ৰীআটাউৰ ৰহমান : এই অপৰাধী জনৰ বাপেকৰ নাম, থানা ঠিকনা আদি যোগাৰ কৰাৰ চৰকাৰে এতিয়ালৈ ব্যৱস্থা কৰা নাইনেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া : (মন্ত্ৰী) যথাযথ সকলো ব্যৱস্থা কৰা হৈছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এই ল'ৰা জনক এই দুৰ্বৃত্ত সকলে কোন সময়ত মাৰ-পিট কৰিছে?

শ্ৰীহিতেশ্বৰ শইকীয়া : (মন্ত্ৰী) দুপৰীয়া চাৰে বাৰ বজাত।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এই জৰুৰী কালীন ব্যৱস্থাৰ ভিতৰতে দিন দুপৰীয়া চাৰে বাৰ বজাত কিছুমান দুৰ্বৃত্তই কোক্ৰাঝাৰ হোষ্টেলত এজন ল'ৰাক মাৰ-পিট কৰি নিৰ্বিকাৰে নিৰ্বিঘ্নে দুৰ্বৃত্ত বিলাক পলাই যায় অথচ পুলিচৰ চকুৰ আগতে ঘটা ঘটনা এটাত পুলিচে দুৰ্বৃত্ত সকলক ধৰিব নোৱাৰাৰ অন্তৰালত কি থাকিব পাৰে?

শ্ৰীহিতেশ্বৰ শইকীয়া : (মন্ত্ৰী)-এইটো জৰুৰী কালীন অৱস্থাৰ আগতে ঘটা ঘটনা। যি হওক এই বিলাক ঘটনাৰ তদন্তত কিছু সময় লাগে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : মহোদয় এই জৰুৰী কালীন অৱস্থাৰ ভিতৰতে ঘটা বহুতো কেচ পুলিচৰ আগতে ঘটা স্বত্তেও পাৰোতেও পুলিচে অপৰাধীক নধৰাৰ দৃষ্টান্ত বহুতো আছে। মোৰ চকুৰ আগতে গোলকগঞ্জ এগ্ৰিকালচাৰ অফিচৰ সন্মুখত মাৰ-পিট হ'ল নানা কাৰণত পুলিচো তাত উপস্থিত আছে, দোষিক সহজে পুলিচে কৰায়ত্ব কৰিব পাৰে। কিন্তু সেইটো নকৰিলে। ইয়াৰ কাৰণ কি?

শ্ৰীহিতেশ্বৰ শইকীয়া : (মন্ত্ৰী)-তেখেতে জনাত যদি কিবা কেচ থাকে সেইটো মোক জনালে মই তাৰ তদন্ত কৰিম।

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি : অধ্যক্ষ মহোদয়, এই প্ৰেমসিং ব্ৰহ্ম নামৰ দোষী জনৰ থানাৰ নাম কি?

শ্ৰীহিতেশ্বৰ শইকীয়া : (মন্ত্ৰী)—এই দোষী জনৰ থানাৰ নামটো ইয়াত নাই। মই অন্য কাগজত বিচাৰি চাই পিচত জনাম। কিন্তু সেই মানুহজনৰ নাম প্ৰেমসিং ব্ৰহ্ম।

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি : এজন মানুহক দোষী সাব্যস্ত কৰাৰ লগতে তেওঁৰ বাপেকৰ নাম কি, তেওঁৰ থানা কি? তেওঁৰ পলাতক অৱস্থাত তেওঁৰ সা-সম্পত্তি বাজেয়াপ্ত কৰা হল নে নাই কথা বিলাক যদি বাদ দি ৰখা হয় তেন্তে কোনবাই সেই মানুহজনৰ সন্ধান উলিয়াব পাৰিবনে? যদি সেইটোৱেই হয় আমিয়েই বা চৰকাৰক কি দৰে সহায় কৰো?

শ্ৰীহিতেশ্বৰ শইকীয়া : (মন্ত্ৰী)—এই বিলাক কৰা হৈছে। মোৰ ইয়াতহে নাই। যি হওক এই দোষী জনৰ বিষয়ে সৰ্বভাৰতীয় হিচাবে প্ৰচাৰ চলোৱা হৈছে গতিকে পলম হলেও ধৰা পৰাৰ সম্ভাৱনা আছে। এই দোষী জনৰ সা-সম্পত্তি কিন্তু এটা টিচ্ কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা : সদনৰ এটা প্ৰাঙ্গনৰ উত্তৰ দিওঁতে এই সংশ্লিষ্ট কথা বিলাক জনাৰ নালাগে নেকি? এই জনৰ গাৱঁৰ নাম, বাপেকৰ নাম, থানাৰ কোনো উল্লেখ নাই। সেই বিলাক যদি দিব পাৰে তেতিয়াহলে আমিও সহায় কৰিব পাৰিম। একে নামৰ বহুতো লোক থাকিব পাৰে।

শ্ৰীহিতেশ্বৰ শইকীয়া : (মন্ত্ৰী) এই বিলাক মই নিশ্চয় দিম।

## বিঃ বি, চি, জি, চিতা দিয়া বিভাগ

শ্ৰীকেহোৰাম হাজৰিকাই সুধিছে :

*৯৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত T. B. Control Programme (B. C. G. and Treatment) বিভাগটো কেতিয়া খোলা হৈছিল?

(খ) এই বিভাগত চাকৰী কৰা লোক সকলৰ স্থায়ীকৰণ কৰা হ'লনে আৰু যদি হোৱা নাই, কিয় হোৱা নাই?

(গ) T. B. Health Visitor আৰু Treatment সংগঠক সকলক বিপদ (Risk) ভাত্তা দিয়াৰ ব্যৱস্থা আছেনে ?

(ঘ) যদি নাই, দিয়াৰ তেন্তে এনে ব্যৱস্থাৰ কথা চৰকাৰে ভাবিছেনে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

৯৬। (ক) ১৯৪৯-৫০ চনৰ পৰা (বি, চি, জি) চিতা দিয়া বিভাগৰ কাম আৰম্ভ হয়। ১৯৫১ চনৰ পৰা চিকিৎসা বিভাগ খোলা হয়।

(খ) চাকৰি স্থায়ীকৰণ কৰা হোৱা নাই, তেওঁলোকৰ চাকৰী স্থায়ীকৰণৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(গ) নাই।

(ঘ) ভবা নাই।

শ্ৰীকেহোৰাম হাজৰিকা : এই চাকৰিয়াল সকলৰ চাকৰি স্থায়িকৰণৰ ব্যৱস্থা লোৱা হৈছে নেকি ?

ডঃ সুৰেণ দাস ( মন্ত্ৰী ) : যোৱা ৩-১-৭৩ তাৰিখে ডি, এইচ, এচ,ৰ পৰা এই মৰ্ম্মে এটা প্ৰপোজেল আহিছে। বৰ্ত্তমান সেইটো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীকেহোৰাম হাজৰিকা : এনে ধৰণৰ বিষয়া সকলক বিপদ ভাট্টা দিয়া ব্যৱস্থা ইতিপূৰ্ব্বে অন্যান্য ৰাজ্যত বাহাল আছে গতিকে অসম চৰকাৰেও বিপদ ভাট্টা দিয়াৰ ব্যৱস্থা কৰিব নে ?

ডঃ সুৰেণ দাস ( মন্ত্ৰী ) : অন্য ৰাজ্যত কেনেকুৱা অৱস্থাত আছে সেইটো নাজানো। কিন্তু এই বিষয়টো পে-কমিচনৰ ওচৰত দাখিল কৰা হৈছিল। তেখেতসকলে এই মৰ্ম্মে কোনো অনুমোদন দিয়া নাই। অৱশ্যে ডক্তৰ আৰু চুপাৰিণ্টেণ্ডেণ্ট সকলৰ কাৰণে দুই শ টকাকৈ দিয়াৰ অনুমোদন দিছে আৰু এচিষ্টেন চাৰ্জন সকলক ডেৰ শ টকাকৈ দিয়াৰ কথা কৈছে। কিন্তু হেল্থ ভিজিটৰ আৰু চিকিৎসা সংগঠন সকলৰ বিষয়ে কোনো অনুমোদন দিয়া নাই।

শ্ৰীঅতুল শইকীয়া : অন্যান্য বিভাগত ৫ বছৰ বা ততোধিক চাকৰি হলে যি কোনো বিষয়াক স্থায়ী কৰাৰ ব্যৱস্থা কৰা হয় কিন্তু এই ক্ষেত্ৰত সেই ব্যৱস্থাৰ কিয় বেতিক্ৰম ঘটিছে ?

ডঃ সুৰেণ দাস ( মন্ত্ৰী) : বৰ্ত্তমান এই বিভাগৰ কথাটোও হাতত লোৱা হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা : এই বিভাগত অস্থায়ী ভাৱে কাম কৰা কিমান কৰ্মচাৰী আছে ?

ডঃ সুৰেণ দাস ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, বৰ্ত্তমানে সমূহীয়া সংখ্যাটো মোৰ হাতত নাই কিন্তু এই সকলো বিলাক লিষ্টিভুক্ত কৰি সেই লিষ্ট খন সদনৰ টেবুলতে দাখিল কৰা হৈছে। সেই লিষ্টখন পঢ়ি চালেই মাননীয় সদস্যই এই কথাৰ ভু পাব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এই হেল্‌থ ইন্সপেক্টৰ বিলাকে কি কাম কৰে ? আৰু এওঁলোকক কোন ঠাইত ৰখা হয় ?

ডঃ সুৰেণ দাস ( মন্ত্ৰী ) : মহোদয়, প্ৰত্যেক ডিষ্ট্ৰিক্ হেড্ কোৱাটাৰত আমাৰ বি, চি, জিৰ কাৰণে একোটাকৈ টিম আছে। আৰু উক্ত লোকসকল এই টিম বিলাকৰ অন্তৰ্গত আৰু যাৱতীয় এলেকাত এওঁলোকে বি,চি,জিৰ কাম কৰে।

শ্ৰীপিটসিং কোঁৱৰ : এই বি, চি, জি টিম বিলাকে নিজে ঘৰে ঘৰে গৈ খবৰ লব লাগেনে কোনোবাই খবৰ দিলে হে যায় ?

ডঃ সুৰেণ দাস ( ৰাজ্যিক মন্ত্ৰী ) : তেওঁলোকে নিজে খবৰ লৈ ফুৰে।

শ্ৰীপিটসিং কোঁৱৰ : বাৰপূজীয়াত ৪০ জনৰ বেমাৰ হ'ল কিন্তু খবৰ দিও কামত নাহিল। গতিকে তেওঁলোকক নিজে নিজে খবৰ লোৱাৰ ব্যৱস্থা কৰিব নে ?

ডঃ সুৰেণ দাস ( ৰাজ্যিক মন্ত্ৰী ) : ব্যৱস্থা আছেই, যদি কৰা নাই খবৰ দিলে ব্যৱস্থা কৰিম।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : তলৰ পৰ্য্যায়ৰ বাৰু স্থায়ী হোৱা নাই উচ্চ পৰ্য্যা-য়ৰ বিষয়া সকলৰ স্থায়ীকৰণ হৈছে নে ?

ডঃ সুৰেণ দাস ( ৰাজ্যিক মন্ত্ৰী ) : নাই হোৱা।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : সংবাদটো লৈ সঠিকভাৱে কোৱা ভাল আছিল ?

ডঃ সুৰেণ দাস ( মন্ত্ৰী ) : ডেপুটেচনত অনা বিলাকৰ কথা বেলেগ আমাৰ ফালৰ পৰা দিয়া কেইজনৰ স্থায়ীকৰণ হোৱা নাই।

আব্দুল মোক্তাদিৰ চৌধুৰী : মহকুমা পৰ্য্যায়ত এই টিম বিলাক আছে নেকি ?

ডঃ সুৰেণ দাস ( মন্ত্ৰী ) : জিলা পৰ্য্যায়ত আছে।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী : মহকুমা পৰ্য্যায়ত দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি ?

ডঃ সুৰেণ দাস ( মন্ত্ৰী ) : জিলাৰ হেড্ কোৱাটাৰত থাকে তাৰ পৰা মহকুমাবিলাকো চাই। কাছাৰত ইয়াৰ বেলেগ ব্যৱস্থা আছে।

**বি : ক্ষুদ্ৰ সঞ্চয় উন্নয়নৰ আঁচনি**

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*৯৭। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ক্ষুদ্ৰ সঞ্চয় উন্নয়ণৰ বাবে অসমত চতুৰ্থ পৰিকল্পনাৰ কালছোৱাত কি কি আঁচনি লোৱা হৈছে ?

(খ) যোৱা ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনৰ প্ৰথম আৰু দ্বিতীয় যোজনাত কি আঁচনি লোৱা হৈছিল।

(গ) এতিয়ালৈ সেই আঁচনি অনুসৰি অসমত ক্ষুদ্ৰ সঞ্চয়ৰ ক্ষেত্ৰত কিমান আগবাঢ়িছে ?

(ঘ) অসমৰ ক্ষুদ্ৰ সঞ্চয়ৰ উপদেষ্টা বোৰ্ডৰ সদস্য সকল কোন কোন ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী )য়ে উত্তৰ দিছে :

৯৭। (ক) নিম্নোক্ত আঁচনি সমূহ লোৱা হৈছে—

(১) পে ৰোল চেভিংচ গ্ৰুপ আঁচনি,

(২) এক্সট্ৰা দিপাৰ্টমেণ্টেল ব্ৰান্স পোষ্ট মাষ্টৰৰ জৰিয়তে সঞ্চয় আঁচনি,

(৩) মহিলা প্ৰধান ক্ষত্ৰিয় বচত যোগেদি সঞ্চয় আঁচনি,

(৪) চৰকাৰী ভবিষ্যনিধি আঁচনি,

(৫) সাত বছৰীয়া ৰাষ্ট্ৰিয় সঞ্চয় প্ৰমাণ পত্ৰ ( ৪ টা প্ৰকাশ ) আঁচনি,

(৬) ডাকঘৰ ম্যাদি জমা আঁচনি,

(৭) ক্ৰম বৰ্দ্ধমান ম্যাদি জমা আঁচনি,

(৮) ডাকঘৰ সঞ্চয় জমা হিচাব,

(৯) ডাকঘৰ পৌন : পৌনিক জমা আঁচনি।

(খ) (ক) ত দিয়া আঁচনি বিলাকৰ উপৰিও ক্ষমতা প্ৰাপ্ত এজেণ্ট সকলৰ মাজত প্ৰতিযোগীতা বঢ়াবলৈ উদগনি হিচাবে নগদ টকাৰ পুৰস্কাৰ দিয়া হৈছে।

(গ) যোৱা চাৰিটা পৰিকল্পনাৰ কালছোৱাত অবিভক্ত অসমক ধৰি ক্ষুদ্ৰ সঞ্চয়ৰ আঁচনিৰ যোগেদি মুঠ সংগ্ৰহৰ অগ্ৰগতি তলত দিয়া ধৰণৰ—

| | লক্ষ্য | সংগ্ৰহ |
|---|---|---|
| প্ৰথম পৰিকল্পনা | ৫ কোটি | ৫.০৫ কোটি |
| ২য় ,, | ১০ ,, | ১৩.১৮ ,, |
| ৩য় ,, | ১৮ ,, | ২১.৬৬ ,, |
| ৪ৰ্থ ,, | ২৫ ,, | ৩৪.৮৬ ,, |

(ঘ) সদনৰ মজিয়াৰ মেজত এখন তালিকা ৰখা হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ (ক) ত পঞ্চম পৰিকল্পনাত হব লাগে আৰু (খ) প্ৰশ্নটো ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনৰ বাৰ্ষিক যোজনা হব লাগে।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : প্ৰায় একেই হব প্ৰশ্নৰ উত্তৰত চলিত পৰিকল্পনা বুলি দিয়া হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মুখ্যমন্ত্ৰী মহোদয়ে ক্ষুদ্ৰ সঞ্চয়ৰ ৯ টা আচনিৰ কথা কৈছে তাৰ ভিতৰত কোন বিষয়ত মানুহৰ উৎসাহজনক সহাঁৰি পোৱা গৈছে মুখ্যমন্ত্ৰীয়ে জনাব নে?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : তেনেকুৱা বিতং হিচাব নাই। কিন্তু এই বিলাকৰ ভিতৰত কিছুমান চিধাচিধি হিচাবে আছে যেনে ভবিষ্যনিধি আচনি চিধাচিধি হিচাবে আছে, পেৰোল চিধাচিধি হিচাবে আছে, মহিলা প্ৰধান ক্ষত্ৰিয় যোজনা ..... (ভইচ— এইটো কি বস্তু)......

একো একো গৱাকী মহিলা প্ৰধান নিযুক্ত কৰা হয় আৰু তেওঁলোকক টাৰগেট ধৰি দিয়া হয় সেইমতে সংগ্ৰহ কৰে। ক্ষেত্ৰ হিন্দী শব্দ আৰু তাৰপৰা ক্ষত্ৰিয় হৈছে মানে ফিল্ড কিন্তু এইবিলাক সম্পূৰ্ণ হিচাব মোৰ হাতত নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মুখ্যমন্ত্ৰী মহোদয়ে জনাব নেকি এই আচনি আৰু অধিকতৰ জনপ্ৰিয় কৰিবৰ কাৰণে প্ৰচাৰৰ কি কি ব্যৱস্থা এতিয়ালৈকে লোৱা হৈছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : প্ৰচাৰৰ ব্যৱস্থা এইবিলাকেই কৰা হৈছে যেনে— প্ৰদৰ্শনী পতা হৈছে, বাতৰি কাকতত প্ৰচাৰ কৰা হৈছে আৰু কেতিয়াবা কেতিয়াবা বাতৰি কাকতত চাপ্লিমেণ্ট দি প্ৰকাশ কৰা হৈছে— এইবিলাক ব্যৱস্থাই কৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে চতুৰ্থ পৰিকল্পনাত যি লক্ষ্য ২৫ কোটিৰ ঠাইত ৩৪ কোটি টকা হ'ল। গতিকে ৩৪ কোটি টকা ক্ষুদ্ৰ সঞ্চয়ত যে থোৱা হ'ল তাৰ ভিতৰত আয়কৰ দিয়া মানুহো আছে নেকি ? কাৰণ বিছুমানে আয়কৰ ফাকি বা ৰিবেট, পাবৰ কাৰণেও ক্ষুদ্ৰ সঞ্চয়ত টকা থয়। গতিকে ব্ৰেক আপটো আছে নেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : নাই। উলিয়াব পৰা অলপ টান হব।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া : প্ৰচাৰৰ কথা কওঁতে যাওঁতে— আমাৰ মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই এটা কথা কৈছে যে যি সকল বিষয়াৰ ইয়াৰ পৰা লাভ হয় তেওঁলোকে ক্ষুদ্ৰ সঞ্চয় কৰে কিন্তু প্ৰকৃতপক্ষে গাওঁ অঞ্চলত ইয়াৰ ব্যাপক প্ৰচাৰ হোৱা নাই। গতিকে এই বিলাক গাঁৱে ভূঞে প্ৰচাৰ কৰিবলৈ বিশেষকৈ মহিলা প্ৰধান ক্ষেত্ৰিয় আচনি গাঁৱত প্ৰচাৰ কৰিবলৈ কিবা নতুন আচনি গ্ৰহণ কৰিব নেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : এই পৰামৰ্শৱলী বিশেষকৈ বিবেচনাৰ যোগ্য, বিবেচনা কৰিম।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : প্ৰকৃততে এই ক্ষুদ্ৰ সঞ্চয়ত ভালেই দেখা গৈছে কাৰণ ২৫ কোটিৰ ঠাইত ৩৪ কোটি হৈছে আৰু ৫ কোটিৰ লক্ষ্যত প্ৰায় ১০ কোটি হৈছে কিন্তু এই টকা বিলাক চিধা চিধিভাবে কেন্দ্ৰীয় চৰকাৰৰ হিচাবত জমা হয়। গতিকে ইয়াৰ লাভালাভৰ অংশ চৰকাৰে পায় নে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : ইয়াৰ পৰা এটা অংশ পাওঁ।

**Re : Scheme under Integrated Tribal Development Plan**

**Shri Mal Chandra Pegu** asked :

*98. Will the Minister, Welfare of Backward Classes be pleased to state—

(a) Total amount of money received from the Government of India under Integrated Tribal Development Plan during the year 1974-75 ?

(b) Whether it is a fact that the money thus received was allotted to two Subdivisions namely Kokrajhar and Dhemaji Subdivisions ?

(c) If so, whether the amount of money received by the said two Subdivisions had been spent ?

(d) What are the schemes taken up with the above money (to be shown Subdivision wise) ?

(e) Who prepared the sehemes and on whose recommendations the schemes were finalised ?

**Shri Uttam Chandra Brahma** ( Minister, W. B. C. ) replied :

98. (a) Rupees Twenty Lakhs.

(b) Yes, This was done as per direction of Government of India.

(c) Yes.

(d) Scheme wise break-up of Rs. 20 lakhs for the two Subdivisions are as below :—

| | Kokrajar Subdivision Rs. | Dhemaji Subdivision Rs. |
|---|---|---|
| (1) Agriculture Scheme. | 4.92 lakhs | 2.46 lakhs |
| (2) Soil Conservation Scheme. | 4.12 lakhs | 1.00 lakhs |
| (3) Irrigation Scheme. | 3.00 lakhs | 2.00 lakhs |
| (4) Co-operation Scheme. | 1.25 lakhs | 1.25 lakhs |
| Total Rs. | 13.29 lakhs | 6.71 lakhs |

(e) While placing Rs. 20 lakhs at the disposal of the State Government, the Government of India Instructed the State Government to formulate two projects during 1974–75. State Government selected Kokrajhar and Dhemaji having the largest concentration of Plains Tribals. Schemes indicated in reply to questions No. (d) above were drawnup in consultation with the different Heads of Departments.

**Shri Mal Chandra Pegu** : Sir, what were amounts allocated for Kokrajhar and for Dhemaji Sub-divisions ?

**Shri Uttam Chandra Brahma** ( Minister ) : I have already replied in (d) Sir.

**Shri Mal Chandra Pegu** ; The breakdown of the schemes have been given. What were the allocations ?

**Shri Uttam Chandra Brahma** ( Minister ) : The total amounts were Kokrajhar 13.29 lakhs and Dhemaji 6·71 lakhs.

**Shri Mal Chandra Pegu** : What I mean to say what was the total amount of moneys that were given to Dhemaji and Kokrajhar subdivisions ?

Shri Uttam Chandra Brahma ( Minister ) : I have already replied Sir.

**Shri Mal chandra Pegu** : Sir, so far as I know Rs. 8 lakhs was allocatted to Dhemaji subdivision and schemes amounting to Rs, 6 lakhs have been accepted. What about the rest amount ?

**Shri Uttam Chandra Brahma** ( Minister ) : No. Sir. Dhemaji subdivision has been allotted Rs. 6·71 lakhs, against different schemes which I have already mentioned.

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, এই যে ২ টা মহকুমা লবলৈ কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্দেশ দিছে, এই নিৰ্দ্দেশনাৰ কাৰণে অসম চৰকাৰে কিবা পৰামৰ্শ দিছিলনেকি, এই মহকুমা ২ টাৰ কাৰণে মঞ্জুৰী দিব লাগে ?

**শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম [ মন্ত্ৰী ] :** আগৰে পৰা আমাৰ ৰাজ্যখনত যি কেইটা ট্ৰাইবেল ডেভোলপমেণ্ট ব্লক আছিল তাৰে ২ টা ব্লক চেংশ্যনৰ কাৰণে চিলেক্ট কৰি দিয়া হৈছে।

**Shri Subhankar Singh ;** Sir, in Silchar there is an area which is spread over the northern part of Udarband and Lakhipur thanas, mostly inhabited by tribal people and the area is just near the North Cachar Hills, Sir, those tribal people are supposed to have submitted a memorandum to the chief Minister so that a Tribal Block may be constituted there. So, may I know from the Minister in-charge of W.B.C. whether Govt. contemplate to constitute a Tribal Block covering Lakhipur and Udarband thanas ?

**Shri Uttam Chandra Brahma** ( Minister ) : I want a separate question, Sir.

**Shri Ataur Rahman :** Sir, may I know what is the respective percentages of tribal population in Kokrajhar and Dhemaji subdivisions ?

**Shri Uttam Chandra Brahma** ( Minister ) ; Sir, it is above 50%

**Shri Premadhar Bora ;** Is there any proposal with the Govt. to cover other tribal areas ?

**Shri Uttam Chandra Brahma** ( Minister ) ; Now the State Govt. has submitted a proposal for sub-plan covering areas having more than 50% tribal population.

**Shri Ataur Rahman :** Sir, should I take that the tribal population of Kokrajhar and Dhemaji are equal ?

**Shri Uttam Chandra Brahma** ( Minister ) : No Sir, The population of Dhemaji is less than Kokrajhar subdivision.

**Shri Giasuddin Ahmed :** What is the percentage of the people of these two subdivisions within the total tribal population of the whole State ?

**Shri Uttam Chandra Brahma** ( Minister ) : I want a separate question Sir.

**Shri Giasuddin Ahmed** : Whether it is a fact that the overwhelming majority of the tribal people living outside these two subdivision have been left out of the benefit ?

**Shri Uttam Chandra Brahma** ( Minister ) : Sir, these two areas were selected because the concentration of tribal people are more than 50%.

**Shri Giasuddin Ahmed** : That is true, Sir. But what about the other tribal people living outside these two areas ?

**Shri Uttam Chandra Brahma** ( Minister ) : According to the new scheme they will get the benefit now.

**শ্ৰীবদন তালুকদাৰ** : এই যে মহকুমা দুটাত যি ধৰণে টকা ভগোৱা হল সেইটো কোকোৰাঝাৰ আৰু ধেমাজীৰ ট্ৰাইবেল জনসংখ্যাৰ ওপৰত ভিত্তি কৰি বা জনসংখ্যাৰ লগত সামঞ্জস্য ৰাখি টকা ভগোৱা হৈছেনেকি ?

**শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী )** : চেণ্ট্ৰেল গভৰ্ণমেণ্ট টি, ডি, ব্লকৰ কাৰণে ২ টা ব্লোকৰ নাম বিছাৰিছিল, সেই অনুসৰি এই এৰিয়া কেইটা থিক কৰা হৈছে, কাৰণ সেই কেইটা এৰিয়াতে ট্ৰাইবেল পপোলেশ্যন তুলনামূলক হিচাবে অইন ঠাইতকৈ বেছি। গতিকে জনসংখ্যা ভিত্তিতেই টকা ভগোৱা হৈছে।

**Shri Mal Chandra Pegu** : Sir, whether the schemes drawn up from out of this grant of Rs. 20 lakhs are being executed now or whether these schemes are still remaining as schemes without being implemented ?

**Shri Uttam Chandra Brahma** ( Minister ) : Different departments are to execute these schemes and I hope these being executed.

**Shri Mal Chandra Pegu** : Sir, whether the Chief Minister will please hold an enqiry as to whether these schemes taken up from out of the grant of Rs. 20 lakhs are being implemented now ? Whether enquiry will be made as to whether actually these schemes have been implemented ?

**Shri Sarat Chandra Sinha, (Chief Minister)** : Sir, the hon'ble Member should accept the statement made by the hon'ble Minister that it is being implemented.

**Shri Mal Chandra Pegu** : Sir, it is not being implemented and I challenge the statement made by the Minister.

**Shri Sarat Chandra Sinha (Chief Minister)** : Sir, when on the floor of the House the Minister has made a statement he has taken the responsibility.

**Shri Mal Chandra Pegu** : Why the schemes were not placed before development board for approval ? The schemes were drawn up by the Minister himself and accepted by himself.

**শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)** আগতে, অসমত ৭ টা টি, ডি, ব্লক আছিল। এই অটাইকেইটাক ইন্টিগ্ৰেদেদ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ এটা প্ৰস্তাৱ দিয়া হৈছিল। ইতিমধ্যে সেই টকা খিনি আগৰ টি, ডি, ব্লকৰ অসম্পূৰ্ণ কাম সম্পূৰ্ণ কৰিবৰ কাৰণে খৰচ কৰা হৈছিল।

**Shri Ataur Rahman** : Who made the allocation of money, Central Govt. or State Govt. ?

**Shri Uttam Chandra Brahma, (Minister)** : Central Govt. Sir.

**Shri Premadhar Bora** : Whether the schemes are time bound schemes ?

**Shri Uttam Chandra Brahma (Minister)** : It is time bound Scheme.

**Shri Premadhar Bora** : What is the time ?

**Shri Uttam Chandra Brahma (Minister)** : That amount was to be spent before 31 March each year.

**Re : Subdivisional Development Boards**

**Shri Promode Chandra Gogoi** asked :

*99. Will the Minister, Social Welfare be pleased to state—

(a) Whether it is a fact. the Development Boards of the State and at Subdivisional level have been formed for Scheduled Castes, Scheduled Tribes and other Backward Classes ?

(b) If so, the functions and resources of the Boards ?

**Shri Uttam Chandra Brahma** (Minister, Welfare of Backward Classes) replied :

99. (a) Yes, Subdivisional Development Boards for Scheduled Tribes and Scheduled Caste have already been constituted. As regards

Subdivisional Development Board for other Backward Classes, the matter is still under consideration of Government.

(b) Details of the functions of the Subdivional Development Boards are placed on the table of the House.

As regards resources of the Boards, the pay and allowances of the Staff will be paid from the provisions under "Directions and Administration of the Welfare of Backward Classes programme" (State Sector).

**Shri Promode Chandra Gogoi** : Mr. Speaker, Sir, What will be the relation between the boards constituted by the Govt. and the Advisory Council functioning since, a long time ?

**Shr- Uttam Chandra Brahman (Minister)** : The board of which I have just spoken now are the Subdivisional Development Boards in each subdivision where there is Council.

**Shri Promode Chandra Gogoi** : Even at the State level, development boards are being formed. What will be the relation between the Development Boards and the Advisory Council functioning since long ?

**Shri Uttam Chandra Brahma, (Mihister)** : Development Board for which community, Sir.

**Shri Promode Chandra Gogoi** : What will be the relation between the Development Boards formed at the State level and the Advisory council functioning since a long time ?

**Shri Uttam Chandra Brahman (Minister)** : There is one State level Development Board for Plains Tribal and there is another Advisory Council for scheduled tribes plains. So the Development Boards will formulate the policies of the sub-Plans now under consideration of the State Govt. As regards the Advisory Coun; cil, the Council will render advices in different matter regarding the development and other allied matters of the plains tribals.

**Shri Promode Chandra Gogoi** ; Mr. Speaker, Sir. I will ask another supplementary. Whether adequate staff have been sanc-

tioned for the proper functioning of the Development Board at the subdivisional level ?

**Shri Uttam Chandra Brahma** ( Minister ) : No, Sir.

**Shri Promode Chandra Gogoi** : And, when the staff for the proper functioning of the Development Board at the subdivisional level will be sanctioned by the Government ?

**Shri Uttam Chandra Brahma** ( Minister ) : It is under consideration of the Govt.

শ্রীপ্রমথৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, পিছপৰা মানুহ বিলাকৰ উন্নয়ণৰ কাৰণে এই ট্ৰাইবেল ডেভেলপমেণ্ট কেইটা গঠন হোৱাৰ কাৰণে আমি শলাগ লৈছো। জৰুৰীকালীন অৱস্থাত চৰকাৰে নিকা প্ৰশাসনৰ প্ৰতিশ্ৰুতি দিছে। সেই পৰিপেক্ষিতত মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক সুধিব খোজো যে, বৰ্ত্তমান যদি কোনো চেকা থকা মানুহক চেয়াৰমেন কৰা আৰু সেইটো আঙুলিয়াই দিলে তাৰ কাৰেক্শন কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) চৰকাৰে সেইটো বিচাৰ কৰি চাব।

**Shri Digendra Ch. Purkayastha** : Sir, may I know whether this sub-divisional Development Board for Scheduled Caste and Scheduled Tribes will be replaced by the Development Board ?

**Shri Uttam Chandra Brahma** ( Minister ) : Sir, this sub-divisional Committee is named as sub-divisional Development Board.

শ্ৰীকেহোৰাম হাজৰীকা : চাব্‌ডিভিজনেল কমিটি'ৰ সদস্য মনোনয়ণ কৰোতে কি নীতি অনুসৰণ কৰা হয় সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) চৰকাৰে যাক ললে ভাল হব বুলি ভাবে।

**Shri Kabir Chandra Roy Pradhani** : Sir, whether sub-divisional Development Boards for other Backward classes have also been formed ?

**Shri Uttam Chandra Brahma** ( Minister ) : I have already replied 'no', Sir.

শ্ৰীজগদীশ দাসঃ অধ্যক্ষ মহোদয়, এই বৰ্ড বিলাকৰ জৰিয়তে কাম কৰিবৰ কাৰণে কি আচনি হাতত লোৱা হৈছিল আৰু মহকুমাই প্ৰতি চিডিউল-কাষ্ট আৰু চিডিউল ট্ৰাইবৰ মানুহ বিলাকক পৃথককৈ কিমান টকা দিয়া হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ২৭৫ অনুচ্ছেদৰ পৰা যি টকা আছে সেই টকা বৰাদ্দ কৰাৰ কাৰণে আৰু খৰচ কৰাৰ কাৰণে দায়িত্ব দিয়া হৈছে। ট্ৰাইবেল ডেভেলপমেণ্ট কৰ্পোৰেশ্বন'ৰ মাধ্যমেদি ৰাষ্ট্ৰীয়কৃত বেঙ্কৰ পৰা সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু এই বৰ্ড বিলাকে কৰ্পোৰেশ্যন'ৰ 'এজেণ্ট' হিচাবে কাম কৰিব।

শ্ৰীজগদীশ চন্দ্ৰ দাসঃ আচনি অনুসৰি টকা দিয়া হৈছেনেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মঃ (মন্ত্ৰী) আচনি অনুযায়ীয়েই টকা যাব ধৰিছে।

**Shri Subhankar Singha** : Sir, may we presume that the criteria adopted in the constitution of the Development Boards for Scheduled Caste and Scheduled Tribes at sub-divisional level would also be adopted in respect of the composition of O.B.C. Development Boards at subdivisional level ?

**Shri Uttam Chandra Brahma** ( Minister ) : Sir, that matter will be discussed in the meeting of the Advisory Council.

## বিঃ পৰ্য্যটন বিভাগৰ আঁচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছেঃ

*১০০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত পঞ্চম যোজনাৰ অন্তৰ্গত পৰ্য্যটন বিভাগৰ দ্বাৰা কি কি আঁচনি লোৱা হৈছে ?

(খ) এই যোজনাৰ কালছোৱাত কেন্দ্ৰীয় চৰকাৰে অসমত পৰ্য্যটন সম্পৰ্কীয় কিবা আঁচনি লৈছে নেকি আৰু যদি লৈছে কি কি ?

(গ) ৰাষ্ট্ৰীয় উদ্যান কাজিৰঙা ৰক্ষণাবেক্ষণ আৰু উন্নয়নৰ বাবে কি কি আঁচনি লোৱা হৈছে ?

(ঘ) পৰ্য্যটন বিভাগৰ পৰা বছৰি অসমে কিমান টকাৰ ৰাজহ পায় ?

ডাঃ লুট্‌ফুৰ ৰহমান (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ?

১০০। (ক) পঞ্চম পঞ্চ বাৰ্ষিক পৰিকল্পনাত লোৱা আঁচনি সমূহ সদনৰ মজিয়াত ৰখা হল এই আচনি সমূহৰ কাৰ্য্যকাৰিতা সময় মতে টকা আৰু মাটি পোৱাৰ ওপৰত নিৰ্ভৰ কৰে।

[খ] এই পঞ্চম যোজনাৰ কালছোৱাত কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰ্য্যটক নিবাসৰ কোনো আঁচনি লোৱা নাই।

[গ] কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ৰক্ষণাবেক্ষণ আৰু উন্নয়নৰ কাম অসমৰ বন বিভাগেহে কৰে। উদ্যানত পৰ্য্যটন বিভাগে কোনো আঁচনি লোৱা নাই।

[ঘ] A G ৰ হিচাব মতে ১৯৭৪-৭৫ চনৰ ৰাজহ ৩,০২,৫০৯,০০ টকা পোৱা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত কৈছে যে, ৫ম যোজনাৰ কালছোৱাত কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰ্য্যটক নিবাসৰ কোনো আচনি লোৱা নাই। কিন্তু মই সুধিব খুজিছো ৪ৰ্থ পৰিকল্পনাৰ কোনো এনেকুৱা ধৰণৰ আচনি আধৰুৱা হৈ আছেনেকি আৰু যদি আছে সেই বিলাক শেষ কৰিবৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেঁ নেকি ?

ড : শ্ৰীলুট্‌ফুৰ ৰহমান ( মন্ত্ৰী ) কাজিৰঙা আৰু গুৱাহাটীত লোৱা হৈছিল তাৰ ভিতৰত কাজিৰঙাৰ কামটো এতিয়াও শেষ হোৱা নাই। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত কথা-বতৰা পাতি থকা হৈছে। কেন্দ্ৰীয় চৰকাৰেই সেইটো কৰিব।

শ্ৰীলক্ষীকান্ত শইকীয়া : ৫ম পৰিকল্পণাত লোৱা আঁচনি মাননীয় মন্ত্ৰীমহোদয়ে সদনৰ মেজত ৰখা হৈছে বুলি কৈছে। মই মাননীয় মন্ত্ৰীমহোদয়ৰ পৰা এইটো জানিব পাৰোনে যে, প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক যোজনাত কি কি কাম শেষ কৰা হৈছে ?

ড : শ্ৰীলুট্‌ফুৰ ৰহমান ( মন্ত্ৰী ) শেষ হোৱা নাই। কাম চলিয়েই আছে। বৰপেটা ৰোডত পৰ্য্যটন নিবাসৰ সুবিধাৰ কাৰণে কাৰ্য্যালয় আৰু বিচনা পত্ৰৰে সৈতে জিৰণি ঘৰৰ ব্যৱস্থা কৰা হৈ আছে। চান্দডুবিত

ৰাইজৰ সুবিধাৰ কাৰণ ৰাস্তা আৰু ঘৰ কৰাৰ কথা আছিল। ৰাস্তাটো শেষ হৈ গৈছে। জয়সাগৰত জিৰণি ঘৰ কৰাৰ কথা আছিল। এইটো কথা হোৱা নাই। শিৱসাগৰ পুখুৰীৰ সৌন্দৰ্য্য কৰাৰ কাম চলি আছে। হাফলঙতো এটা পৰ্য্যটন নিবাসৰ কাম চলি আছে।

**Shri Abdul Muqtadhir Choudhury** : Where is the Tourist Lodge located at Gauhati at present ?

**Dr. Lutfur Rahman** (Minister) : It is now in the former local Board I. B., rather Dak Bungalow.

ডাঃ শ্ৰীজালালুদ্দিন আহমেদ : গুৱাহাটীৰ 'টুৰিষ্টলজৰ কাৰণে কিমান টকা খৰচ হৈ আছে সেইটো জনাবনে ?

ডঃ শ্ৰীলুটফুৰ ৰহমান ( মন্ত্ৰী ) সেই হিচাবটো বৰ্ত্তমানে মোৰ হাতত নাই।

**Shri Atul Chandra Saikia** : Sir, whether the Director of Tourism has been encouraging foreign tourist trafic knowing only the English language ? If not, then why the documents required by the foreign tourist are not printed in other languages beside English ?

**Dr. Lutfur Rahman** (Minister) : Sir, it is only for convenience the forms are printed in English. But I had a discussion with hon'ble member and he has suggested that the forms should also be printed in other languages and we are trying to publish them in other languages also.

**Shri Atul Chandra Saikia : Sir,** there is an entry permit for foreign tourists obtainable from Calcutta Assam House. Even that form is written in English. Why it cannot be translated in other languages, like French, Spanish, Germany and Japanese. It involves no extra cost since that form is cyclostyeed one.

**Dr. Lutfur Rahman** (Minister) : Sir, printing it in Japanese involves a little extra cost while in other languages it may not cost extra. However, we are endeavouring to get it printed in other languages also.

**Shri Atul Chandra Saikia** : Whether Indian Tourist Development Council made any scheme for Assam ?

**Dr. Lutfur Rahman** (Minister) : No, Sir, they have not yet made so

শ্ৰীসোনেশ্বৰ বৰা : গোলাঘাটৰ গৰম পানীৰ পৰ্য্যটন নিবাসটোৰ বাবে লোৱা আঁচনিৰ কাম শেষ কৰিব নোৱাৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত টকা ঘূৰাই দিয়াটো কথা হয়নেকি ?

ড : শ্ৰীলুটফুৰ ৰহমান ( মন্ত্ৰী ) টকা ঘুৰাই দিয়া হোৱা নাই। বৰং তাত কাম কৰিব পাৰিনে তাৰ চেষ্টাহে চলাই থকা হৈছে।

শ্ৰীবীৰেণ ফুকণ : ৰাজবাবাত যিটো টবিষ্টলজ হব সেইটো সৰু সুৰা ঘৰ হবনে ভাল টবিষ্টলজেই হব ?

আৰু তাত যিটো ৰাস্তা হব সেইটোত কিমান টকা খৰছ পৰিব ?

ডঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) : ৰাস্তাটোত ৪ লাখ মান টকা খৰছ পৰিব পাৰে। 'টবিষ্টলজ' নকৰি পিকনিক স্পটৰ কাৰণে এটা 'ছেডৰ' আলোচনা কৰিলেও হব।

শ্ৰীপুষ্পধৰ চলিহা : শিৱসাগৰ পুখুৰীটোৰ সৌন্দৰ্য্যকৰণৰ কাৰণে কিমান টকা এতিয়ালৈকে দিয়া হৈছে আৰু আজি ৮ বছৰে এইটো কৰিব পৰা নাই কিয় ?

ড : লুটফুৰ ৰহমান : ( মন্ত্ৰী ) তাৰ স্পেচিফিক ফিগাৰটো মোৰ হাতত নাই। টকাৰ নাটনিৰ কাৰণেই লাহে লাহে কাম কৰি থকা হৈছে।

শ্ৰীকেহোৰাম হাজৰীকা : যোৰহাটত এটা 'টবিষ্টলজ' ভাৰা ঘৰত চলাই থকা হৈছেনেকি আৰু যদি হৈছে তেতিয়াহলে তাত বিছনাৰ সংখ্যা কিমান আৰু তাৰ কাৰণে কিমান ভাৰা ভৰিব লগীয়া হৈছে ?

ড : শ্ৰীলুটফুৰ ৰহমান ( মন্ত্ৰী ) : 'টবিষ্টলজ তাত নাই। 'ইনফমেশ্বন চেন্টাৰ' এটাহে তাত আছে। কিমান ভাৰা দিয়া হৈছে সেইটো কথা কোৱা টান।

শ্ৰীকেহোৰাম হাজৰীকা : তাত বিচনা কেইখন আছে। আৰু যিটো ঘৰ ভাৰালৈ লৈছে সেই ভাৰাৰ বাবত চৰকাৰে কিমান টকা দিব লাগে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) সেইটো মোৰ হাতত নাই। মাননীয় সদস্যক মই পিচত দিব পাৰিম।

শ্ৰীপ্ৰেম বৰা : 'গ' প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে কাজিৰঙা অভয়াৰণ্যৰ কামৰ কাৰণে বন বিভাগে টকা দিয়ে। মই জানিব বিচাৰিছো যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰা হোৱা নাইনেকি ? যদি কৰা

হৈছে তেন্তে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে টকা-পইচা বা অন্য অনুদান নিদিয়ে নেকি ?

ড: লুটফুৰ ৰহমান (মন্ত্ৰী) কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় উদ্যানৰ কাৰণে অলপ অচৰপ টকা দিছে। যোৱা বছৰ ২ লাখ আৰু এই বছৰ ২ লাখ ২৫ হাজাৰ টকা দিছে।

**Shri Abdur Muquatadir Choudhury :** Sir, may I know whether the Govt. Will take steps to utilise the Dak Bunglow for the tourists purpose immediately as the people facing much trouble ?

**Dr. Lutfur Rahman (Minister ) :** We are endeavouring to get it permanently.

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : আমাৰ পৰ্য্যটণ বিভাগৰ কিছুমান অফিচ বাহিৰত আছে তেওঁলোকে বিদেশত কাগজে-পত্ৰে প্ৰচাৰ কৰে। তাত অসমৰ মানস আৰু কাজিৰঙা শব্দ দুটাৰ ব্যহিৰে আৰু আন একো কথা নেথাকে। গতিকে মন্ত্ৰী মহোদয়ে বিদেশৰ পৰ্য্যটক যাতে আকৰ্ষণ কৰিব পাৰে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি ব্যৱস্থা লবনে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি থকা হৈছে। আনাক টুৰিজিম মিনিষ্টাৰকো তাত যে অসমৰ কোনো কথা নাথাক সেই সম্পৰ্কত দৃষ্টিগোচৰ কৰা হৈছে। আমি টুৰিষ্ট মিনিষ্টাৰৰ লগত কথা বতৰা পাতি আছো। আমি এই সম্পৰ্কত সোনকালেই এটা সিধান্ত কৰিব লাগিব।

শ্ৰী.সানেশ্বৰ বৰা : 'ঘ' প্ৰশ্নোত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে আমাৰ বছৰি ৰাজহ হয় ৩ লাখ ২ হাজাৰ টকা। কিন্তু বছৰি কিমান টকা খৰচ হয়।

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) খৰচ বেচি হয়। সংখ্যাটো বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীলক্ষী কান্ত শইকীয়া : পৰ্য্যটন হৈছে ৰাজহ সংগ্ৰহ কৰা বিভাগ এই বিভাগৰ সম্পৰ্কত মন্ত্ৰী মহোদয়ে যি তালিকা দাখিল কৰিছে তাত

কেইটামান ঘৰ বন্ধাৰ বাহিৰে আন একো আঁচনি নাই। বিত্ত বাহিৰৰ পৰ্য্যটকক আমাৰ ইয়ালৈ আকৰ্ষিত কৰিব পৰা প্ৰচাৰৰ কোনো বিশেষ ব্যৱস্থা নাই গতিকে পঞ্চম পৰিকল্পনাৰ কালছোৱাত প্ৰচাৰৰ ভাল ব্যৱস্থা কৰি যাতে বাহিৰৰ পৰ্য্যটকক আকৰ্ষিত কৰিব পাৰে তাৰ কাৰণে পুস্তকা আদি প্ৰকাশ কৰি, চিনেমা আদি প্ৰদৰ্শিত কৰি গুৰুত্বপূৰ্ণ ঠাই বিলাক বাচি লৈ সেই বিলাককো তাত স্থান দিয়াৰ ব্যৱস্থা কৰিবনে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) আমাৰ হাতত টকা পইচা কম থকাৰ কাৰণেই আমি এই বিলাক কৰিব পৰা নাই। আমি কেন্দ্ৰীয় চৰকাৰৰ লগত সেই কাৰণেহে কথা পাতিছো। আমাৰ ইয়াত যি বিলাক ভাল ভাল বস্তু আছে সেই বিলাকে বাহিৰৰ টুৰিষ্টক আকৰ্ষিত কৰিব পাৰে। কেন্দ্ৰীয় চৰকাৰৰ আন আন ৰাজ্য বিলাকত ৰি ধৰণৰ কেন্দ্ৰ আছে আমাৰ ইয়াত এনেকুৱা নাই। আমাৰ বিদেশতো তেনে কেন্দ্ৰ নাই। এই বিলাক কৰিবৰ কাৰণে আমাৰ ক্ষমতা নাই।

শ্ৰী লক্ষী কান্ত শইকীয়া : টকাৰ অভাৱৰ কাৰণেই মন্ত্ৰী মহোদয়ে কৰিব পৰা নাই বুলি কৈছে। প্ৰকৃততে টকাৰ অভাৱ নহয়। ইচ্ছাৰহে অভাৱ। আমাৰ এই সৰু সুৱা কাম বিলাক কৰিবলৈ বেচি টকা নালাগে। আমাৰ অসমত চলা মূখ্যপত্ৰ বিলাকত কেৱল প্ৰকাশ কৰিলেই নহয়। বাহিৰৰ প্ৰচাৰৰ পত্ৰিকাতো প্ৰকাশ কৰিব লাগিব। তাকে কৰিবলৈ যাওঁতেও বেচি খৰচ নপৰিব। আনকি গুৱাহাটী চহৰ খনৰে কোনো চবি নাই। গতিকে এই বিলাকৰ ব্যৱস্থা কৰিব লাগে।

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) আমি এই বিলাক ব্যৱস্থা কৰি আছো। দুখৰ বিষয় যে মাননীয় সদস্যই পোৱা নাই। এই সম্পৰ্কত আমাৰ প্ৰচাৰ ভাল হৈছে।

**Shri Atul Saikia :** Sir, foreign tourists wish to enter into Manas are required to take permission. Therefore, necessary facilities be provided to the foreign tourists so that they obtain the permission easily.

**Dr. Lutfur Rahman ( Minister ) :** Sir, Manas is a game santuary and it is under the control of the Forest Department. It does not give it up definitely for good reasons but permission is always available from the Forest Department just on writing or approaching in person.

**শ্রীগোলোক চন্দ্ৰ পাটগিৰি ঃ** পৰ্য্যটন বিভাগৰ উপদেষ্টা কমিটি আছে নেকি ? যদি আছে তাত কোন কোন সদস্য আছে ?

**ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ** কিন্তু এটা বেলেগ প্ৰশ্ন কৰিলে ভাল হব।

## বিঃ কৃষি আৰু পশু চিকিৎসা বিজ্ঞানৰ স্নাতকৰ দৰমহা আৰু পদ মৰ্য্যাদা

**শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :**

*১০১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰে কৃষি বিভাগৰ কৃষি স্নাতকৰ চাকৰিৰ দৰমহা আৰু পদ মৰ্যাদা চিকিৎসা আৰু পশু চিকিৎসা বিজ্ঞানৰ স্নাতক আদিৰ সম পৰ্যায়ৰ হয়নে ?

(খ) যদি নহয়, এই বিভাগ কেইটাৰ স্নাতকৰ চাকৰিৰ দৰমহা আৰু পদ মৰ্য্যাদা সমপৰ্য্যায়ৰ কৰাৰ কিবা ব্যৱস্থা কৰা হৈছে নেকি ?

**শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :**

১০১। (ক) নিজৰ বিভাগৰ পদ মৰ্য্যাদা নিজৰ বিভাগত আছে। আনৰ লগত ৰিজাব নোৱাৰি।

(খ) প্ৰশ্ন নুঠে।

**শ্ৰীসোনেশ্বৰ বৰা :** মিলাব পৰা নহব বুলি মুখ্যমন্ত্ৰী মহোদয়ে কৈছে। কথাটো হৈছে যে একে শিক্ষা ব্যৱস্থা লৈ এজন ৰাজ্যচৰকাৰৰ চাকৰিয়ালে আন এজন চাকৰিয়ালতকৈ দৰমহা বা আন সা-সুবিধাৰ পাৰ্থক্য হয় তেতিয়াহলে তেওঁলোকে সন্তোষ মনেৰে কাম কৰিব নোৱাৰে। এইটো কথা চৰকাৰে বিবেচনা কৰেনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ : (মূখ্যমন্ত্ৰী) মাননীয় সদস্যই যি কথা কব খুজিছে সেই কথা থিক নহয়। বিভিন্ন বিভাগৰ কাৰণে বিভিন্ন শিক্ষা ব্যৱস্থা আছে, যেনে, কৃষি বিভাগৰ কাৰণে যি শিক্ষা ব্যৱস্থা আছে, মেট্ৰিক পাচ কৰি সেই শিক্ষা সাং কৰিবলৈ ৫ বছৰ লাগে। পশুপালনৰ কাৰণে যি শিক্ষা ব্যৱস্থা আছে, মেট্ৰিক পাচ কৰি সেই শিক্ষা সাং কৰিবলৈ ৬ বছৰ লাগে, আৰু স্বাস্থ্য বিভাগৰ শিক্ষা সাং কৰিবলৈ মেট্ৰিক পাছ কৰাৰ পিছত ৬ বছৰ লাগে। কৃষি বিভাগৰ শিক্ষা ব্যৱস্থাৰ লগত স্বাস্থ্য বিভাগৰ শিক্ষা ব্যৱস্থাৰ মিল নাই। সেই কাৰণেই প্ৰশ্নোত্তৰত কোৱা হৈছে যে নিজৰ বিভাগতে নিজৰ পদ মৰ্য্যদা আছে। এই পদ মৰ্য্যদা অন্যৰ লগত বিজাব নোৱাৰি। তুলনা-মুলক ভাৱে বিবেচনা কৰি দৰমহা আৰু মৰ্য্যদা সমান হব লাগে তেনে কথা নাই।

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী : দৰ্মহা সম্পৰ্কত পশু সিকিৎসা বিভাগৰ ছাত্ৰ সকলে এখন স্মাৰক পত্ৰ মূখ্য মন্ত্ৰী মহোদয়ৰ হাতত দিছিলেনেকি? যদি দিছিল আৰ কি ব্যৱস্থা কৰিছে?

শ্ৰীশৰত চন্দ্ৰ সিংহ: (মূখ্যমন্ত্ৰী) ইয়াৰ কাৰণে যদিও বেলেগ প্ৰশ্ন লাগিছিল তথাপি মাননীয় সদস্যক জনাও যে যি খন স্মাৰক পত্ৰ দিয়া হৈছিল সেই খন মূখ্য মন্ত্ৰীয়ে পাইছে, বিবেচনা কৰিছে আৰু এটা সিদ্ধান্ত গ্ৰহণ কৰিছে। সিদ্ধান্তও কাৰ্য্যকৰি কৰা হব।

শ্ৰীসোনেশ্বৰ বৰা : পশু সিকিৎসা বিভাগৰ ছাত্ৰ সকলৰ দৰে কৃষি বিভাগৰ ছাত্ৰ সকলেও এখন স্মাৰক পত্ৰ দিছিল সেই খনো বিবেচনা কৰা হৈছে নেকি?

শ্ৰীশৰত চন্দ্ৰ সিংহ : (মূখ্য মন্ত্ৰী) এই বিলাক আনৰ লগত তুলনা নহয়। নিজ নিজ বিভাগত থকা কামৰ ওপৰত এই কথা সম্পুৰ্ণ ভাৱে নিৰ্ভৰ কৰে। 'ষ্টেটাচ কনচিয়াচ নহৈ 'দিউটি কনচিয়াচ' হব লাগে।

**Re : Pussa Seeds**

**Shri Mal Chandra Pegu** asked :

102. Will the Minister, Agriculture be pleased to state—

Whether it is a fact that the Pusa Seeds did not germinate last year in Majuli area ?

**Shri Md. Umaruddin** ( Minister, Agriculture ) replied :

102. No. It is not a fact. The Seed germinated belatedly owing to drought prevailing at the time of sowing.

**Shri Mal Chandra Pegu** Sir, will the Minister be pleased to hold an enquiry to the fact that the questioner himself submitted a complaint to the fact that the seeds supplied to the questioner did not germinate ?

**Shri Md Umaruddin, Minister ) :** Sir, a complaint was received and an enquiry was held and on the report of the enquiry it was found that the seeds were sown between the first week of February and last week of March. Whether there was moist soil the seeds germinated and where there was sandy and dry lands there was delay in germination. In fact, there was on the whole sole factory result ; so far as germination is concerned.

**Shri Badan Chandra Talukdar :** Whether the seeds were certified or germination tested ?

**Shri Md. Umaruddin, (Minister) :** Germination tested.

**Shri Ataur Rahman :** Sir, may I know who conducted the enquiry ?

**Shri Md. Umaruddin (Minister)** Sir, the enquiry was conducted by the local Officer.

**Shri Mal Chandra Pegu :** Will the Minister depute the Deputy Minister (Agri) to hold the enquiry ?

**Shri Md. Umaruddin** (Minister) ; This happened last year. So, I do not think it will be useful to hold another enquiry in this affair.

জালালউদ্দিন আহমেদ : লোকেল অফিচাৰ দোষী বুলি স্বীকাৰ কৰেনে ?

**Shri Md. Umaruddin,** (Minister) : Sir, the seeds were supplied to the Blocks through the D.C. and as a matter of fact the

seeds were sold at Rs. 2,50 paisa per K. G. but the seeds were available for the cultivators at Rs 1·50 paisa. per K.G. at a Subsidised rate,

**Shri Mal Chandra Pegu :** Sir, my question was not replied. I wanted to know whether the Deputy Minister will be asked to enquiry into the matter as the Officer who conducted the enquiry was involved in this affair.

**Shri Md. Umaruddin (Minister) :** Sir. there was an enquiry and nobody was found responsible for negligence.

বি : স্বাস্থ্য শিক্ষা

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*১০৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) স্বাস্থ্য বিভাগত জনশিক্ষা শাখা এটা আছে নেকি ?

(খ) যদি আছে, এই শাখাৰ কাম কি ?

(গ) যোৱা ১৯৭৪-৭৫, ১৯৭৫-৭৬ চনৰ বিত্তীয় বছৰটোত এই শাখাই কি কি কাম কৰিছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ দাস (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

১০৩। (ক)—স্বাস্থ্য বিভাগত 'জনশিক্ষা, নহয় 'স্বাস্থ্য শিক্ষা' (Health Education Bureau) বুলিহে এটা সংস্থা আছে।

(খ)—জনসাধাৰণৰ মাজত সবল ও সহজকৈ স্বাস্থ্য জ্ঞান দিয়া, স্বাস্থ্য সম্বন্ধে ভ্ৰান্ত ধাৰণা দূৰ কৰা, স্বাস্থ্য বিভাগৰ কাৰ্য্যসূচী আৰু সা-সুবিধাৰ বহুত প্ৰচাৰ কৰাই এই বিভাগৰ কাম।

(গ)—এই দুই বছৰত স্বাস্থ্য শিক্ষা সংস্থাই চিনেমা প্ৰদৰ্শনী, জাননী বিতৰণ, অনাতাঁৰ কথিকা, সংবাদ পত্ৰ আৰু বিভিন্ন প্ৰচাৰ মাধ্যমেৰে স্বাস্থ্য শিক্ষা দিছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— মন্ত্ৰী মহোদয়ে জনাইছে যে এই স্বাস্থ্য শিক্ষা বিভাগৰ দ্বাৰা স্বাস্থ্য সম্পৰ্কে কথা বিলাক প্ৰচাৰ কৰি থকা হৈছে। গাওঁ অঞ্চলত এই বিভাগে কি ধৰণে প্ৰচাৰ কৰিছে জনাবনে ?

ড : সুৰেন দাস (মন্ত্ৰী) চিনেমা প্ৰদৰ্শন কৰি দেখুওৱা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া :- কিমান খন চিনেমা গাৱঁলৈ পঠোৱা হৈছে ?

ড: সুৰেন দাস (মন্ত্ৰী) বছৰি প্ৰতি জিলাত ৩৬ খন দেখুৱাব লাগে ।

শ্ৰীলক্ষীকান্ত শইকীয়া :— এই বিভাগৰ বৰ্ত্তমান কেইখন চিনেমা আছে ?

ড: সুৰেন দাস (মন্ত্ৰী) চিনেমা কিমান আছে বৰ্ত্তমান মোৰ হাতত নাই। কত কিমান দেখুৱাইছে সেই সংখ্যা মোৰ হাতত আছে ।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : কৰিমগঞ্জত কোনো স্বাস্থ্য শিক্ষা দিয়া নাই ?

ড: সুৰেন দাস (মন্ত্ৰী) চিলচৰত ইউনিট আছে । সেইটো খবৰ লম ।

শ্ৰীঅতুল শইকীয়া: কেইখন তথ্য চিত্ৰ অসম চৰকাৰে প্ৰস্তুত কৰিছে ?

ড: সুৰেন দাস (মন্ত্ৰী) সেই খবৰটো মোৰ হাতত নাই ।

শ্ৰীঅতুল শইকীয়া : এখনো কৰা নাই এই কথাটো সচানে ?

ড: সুৰেন দাস (মন্ত্ৰী) খবৰ লম

শ্ৰীজগদীশ দাস: স্বাস্থ্য শিক্ষাৰ কাৰণে যোৱা বছৰ কিমান টকা খৰচ কৰা হৈছে ?

ড: সুৰেন দাস (মন্ত্ৰী) ১৯৭৫ চনৰ ফেব্ৰুৱাৰীলৈ নন প্লেনৰ পৰা খৰচ কৰা হৈছে ৩ লাখ ৮৫ হাজাৰ ৭৭০ টকা, প্লেনৰ পৰা ৭ হাজাৰ ৩৪০ টকা, চিস্ক চিচুলৰ পৰা ১১ হাজাৰ ৩২ টকা ।

## বি : কমবাণ্টন হাৰভেচটাৰ যন্ত্ৰ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*১০৪ । মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম কৃষি বিশ্ববিদ্যালয়ৰ চৌহদত ভালে কেইবছৰ ধৰি "কমবাণ্টন হাৰভেচটাৰ" এখন অচল হৈ পৰি আছে নেকি ?

(খ) যদি আছে তেন্তে এই হাৰভেচটাৰ যন্ত্ৰটো কেতিয়াৰ পৰা কৃষি বিশ্ব-বিদ্যালয়ত এনেকৈ আছে ?

(গ) অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষাৰ উন্নয়নৰ কামত উক্ত হাৰভেচটাৰ যন্ত্ৰটো ব্যৱহাৰ কেতিয়াবা কৰা হৈছেনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১০৪ । (ক)—অচল হৈ পৰি থকা নাই ।

(খ)—এই প্ৰশ্ন নুঠে ।

(গ)—আৱশ্যক অনুসৰি ইয়াক ব্যৱহাৰ কৰা হয় ।

শ্ৰীসোনেস্বৰ বৰাঃ মন্ত্ৰী মহোদয়ে এই হাৰভেষ্টাৰ মেচিনটো দেখিছে নে নাই ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) মই দেখা নাই ।

শ্ৰীসোনেশ্বৰ বৰা ঃ মন্ত্ৰী মহোদয়ে অচল হৈ পৰি থকা নাই বুলি কৈছে। তেন্তে ইয়াক কিমান বাৰ ব্যৱহাৰ হৈছিল ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) এই মেচিনটো দান হিচাবে ১৯৬১ চনত অনা হৈছে। ইয়াৰে ধান কটা মৰণা মৰা আদি কাম কৰিব পাৰি । এই মেচিনটো ইমান গধুৰ যে আমাৰ পথাৰত চলিব নোৱাৰে।

শ্ৰীসোনেশ্বৰ বৰা ঃ এই হাৰভেচটাৰটো ভালকে চলাই থকা হলে ধান মৰা দোৱা আদি কাৰিকৰী ব্যৱস্থাটো সম্পৰ্কে বিশ্ববিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে জ্ঞান পালেহেতেন । এই বস্তুকেইটা ভালকৈ অধ্যয়ন নকৰাৰ ফলত কামত খটুৱাব পৰা নাই আৰু ছাত্ৰ ছাত্ৰী সকল শিক্ষা লোৱাৰ পৰা বঞ্চিত হৈছে আৰু ওচৰ চুবুৰীয়া ৰাইজেও বঞ্চিত হৈছে।

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) যন্ত্ৰটোৰ মৌলিক কথা খিনি শিকাৰ কাৰণে যন্ত্ৰটো ৰখা হৈছে । আমাৰ কথা হল লৰা বিলাকক শিকাব লাগে। গতিকে পথাৰত কাম কৰা বা ৰাইজৰ সুবিধা দিয়াৰ কথা নহয় ।

শ্ৰীসোণেশ্বৰ বৰা ঃ যন্ত্ৰটো ভালকৈ যোৱাও হোৱা নাই । ভঙা চালি এখনত ৰদে বৰষুণে পৰি আছে । গতিকে হুয়াৰ এট ব্যৱস্থা কৰি ছাত্ৰ ছাত্ৰী সকলে শিক্ষা পোৱাৰ আশু ব্যৱস্থা কৰিবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ঃ (মন্ত্ৰী) মই যোৰহাটলৈ গৈ বস্তুটো চাম ।

শ্ৰীগিয়াচুদ্দিন আহম্মদ ঃ এই হাৰভেষ্ট মেচিনটো কাৰ পৰা দান হিচাবে পোৱা হৈছে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ঃ (মন্ত্ৰী) টেকনিকেল কৰপৰেচন মেচিন, এমেৰিকা ।

শ্ৰীবদন তালুকদাৰ ঃ মেচিনটোৰে মৰণা মাৰে নে ধান কাটে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ঃ (মন্ত্ৰী) ধানকটা মৰণা মৰা আটাই কেইটা কাম কৰিব লাগে । আমাৰ মাটি নৰম বাবে ইয়াত চলাব নোৱাৰে ।

শ্ৰীবদন তালুকদাৰ ঃ এবাৰো ধান কটা হোৱা নাই সচানে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ঃ (মন্ত্ৰী) হব পাৰে ।

**Re : E. A. C. of Majuli**

**Shri Mal Chandra Pegu** asked :

*105. Will the Chief Minister be pleased to state—

(a) The reasons as to why a fulfledged E A.C. has not been posted to Majuli ?

(b) Whether it is a fact that the present Assistant Development Commissioner whose cadre is not equivalent to the cadre of that of an E. A. C. has been allowed to function as E. A. C. ?

**Shri Sarat Chandra Sinha** (Chief Minister) replied :

105. (a) Due to shortage of A. C. S. I. Officers no E. A. C. could be posted at Majuli since 17th May. 1975. Recently Shri D. Deka A.C.S.I. has been posted as E.A,C. Majuli and he is expected to join soon.

(b) Yes. Shri D. Gogoi, A. C. S. II Assistant Development Commissioner Jorhat is holding the charge of the post of E.A.C. Majuli temporarily in addition to his own duties.

**Shri Mal Chandra Pegu** : When the rank of the S. D. C. serving in Majuli is equivalent to the rank of Assistant Development Commissioner why the S. D. C., Majuli, was not entrusted to discharge the functions of the E. A. C. in Majuli ?

**Shri Sarat Chandra Sinha** ( Chief Minister ) :

It is for the convenience of administration.

**Undisposed starred questions dated 19.2.76**

**বিঃ তথ্য চিত্ৰ আৰু বোলছবি প্ৰচাৰ**

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*১০৬। মাননীয় তথ্য আৰু প্ৰচাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰৰ জনকল্যাণমূলক কামৰ বিৱৰণ দি কোনো তথ্য চিত্ৰ আৰু বোলছবি প্ৰচাৰ কৰাৰ ব্যৱস্থা লৈছে নেকি ?

(খ) যদি লৈছে, চতুৰ্থ যোজনাত এই শিতানত কি আঁচনি লোৱা হৈছে ?

(গ) ইতিমধ্যে এনেকুৱা বোলছবি কেইখন প্ৰচাৰ কৰা হৈছে আৰু কিমান টকা ব্যয় কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( তথ্য আৰু প্ৰচাৰ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১০৬। (ক)—হয়, লোৱা হৈছে।

(খ) চতুৰ্থ যোজনাৰ কালছোৱাত আঁচনি অনুসৰি ৫ (পাঁচ)খন তথ্য চিত্ৰৰ আঁচনি হাতত লোৱা হৈছিল আৰু সেই তথ্য চিত্ৰৰ প্ৰযোজনাৰ সম্পূৰ্ণ কৰা হৈছে।

(গ) এতিয়ালৈকে ৫ (পাঁচ) খন বোলছবি প্ৰচাৰ কৰা হৈছে আৰু তাৰ বাবদ মুঠ টকা ১,২৩,০০০.০০ ব্যয় কৰা হৈছে।

বিঃ পুথিভঁৰালীৰ প্ৰশিক্ষণ

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

১০৭। মাননীয় শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ আৰু বিদ্যালয়ত কাম কৰা পুথিভঁৰালী সকলক প্ৰশিক্ষণ দিয়াৰ কিবা ব্যৱস্থা কৰা হৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

১০৭। কৰা নাই।

## Calling Attention

**Mr. Speaker** : The question hour is over.

**Shri Abdul Hannan Choudhury** : Sir, I beg to call the attention of the Minister in charge of Education under Rule 54 of the rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Dainik Asom, dated 7th February, 1976 under the caption. "শিক্ষক নিযুক্তি নোহোৱাত অসুবিধা" ।

শ্ৰীছৈয়দ আনোৱাৰ টাইমুৰ (মন্ত্ৰী):- অধ্যক্ষ মহোদয়,

৭।২।৭৬ তাৰিখৰ— "শিক্ষক নিযুক্ত নোহোৱাত অসুবিধা" এই শিতানত দৈনিক অসম'ত ওলোৱা বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই সন্দৰ্ভত মই সদনত জনাব খোজো যে প্ৰাথমিক শিক্ষক সকলৰ সেৱা ৫।৯।৭৫ তাৰিখৰ পৰা চৰকাৰীকৰণ কৰা হয়। তাৰ আগতে শিক্ষক সকলক Assam Elementary Education Act 19 68' মতে আঞ্চলিক বৰ্ডৰ দ্বাৰিয়তে নিযুক্ত দিয়া হৈছিল। চাকৰিকাল ৫৫ বছৰ বয়সৰ পিছতো বঢ়াই দিয়াৰ ব্যৱস্থা আছিল। আৰু এনেধৰণে বহুতো শিক্ষকে ৪।৯.৭৫ তাৰিখে ৫৫ বছৰ বয়সৰ ওপৰতো চাকৰি কৰি আছিল।

শিক্ষকসকলৰ চাকৰি চৰকাৰী কৰাৰ কাৰণে তেওঁলোকক চলি থকা নীতি নিয়মৰ পৰ্য্যায়ভুক্ত কৰিব লগা হয় আৰু তাৰ কাৰণে প্ৰশাসণীয় ব্যৱস্থা বিলাকো বহুত পৰিমাণে সালসলনি কৰিব লগা হল। ৫৫ বছৰৰ ওপৰত থকা আৰু ৫৫ বছৰ হোৱা ১১৮৪ জন শিক্ষকে অৱসৰ লব লগা হল। আৰু এই অৱসৰৰ ফলত খালি হোৱা পদবোৰ পূৰণৰ কাৰণে সোনকালে ব্যৱস্থা লোৱা হৈছে। শিক্ষকৰ নিযুক্তিৰ দৰ্খাস্ত আহবান কৰি ৪১,-৫১৭ জনৰ লিখিত পৰীক্ষা লোৱা হয় আৰু এই পৰীক্ষা মহকুমা পৰ্য্যায়ত ২৯।১১.৭৫ তাৰিখে লেৱা হয়। আৰু যেচিক ট্ৰেইনিং আৰু নৰ্মাল পাছ কৰা প্ৰাৰ্থীসকলৰ লিখিত পৰীক্ষা লোৱা নহয়। তেওঁ লোকৰ সাক্ষাৎ লৈ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। এনে প্ৰশিক্ষণ প্ৰাপ্ত ৭৫ জনক নিযুক্তি দিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। বাছনিৰ কাৰণে প্ৰত্যেক শিক্ষা মহকুমাত একোখন বাছনি কমিটী প্ৰস্তুত কৰা হৈছে। মাত্ৰ শিলচৰ আৰু হাইলাকান্দিত হিচাবত ১৯,৪৮৯ খন প্ৰাথমিক বিদ্যা-লয়ৰ শিক্ষকৰ সেৱা চৰকাৰীকৰণ কৰা হৈছে। চৰকাৰীকৰণৰ সময়ত শিক্ষকৰ সংখ্যা প্ৰায় ৪৫,০০০ আছিল। তাৰ ভিতৰত ১১৮৪ জনে ওপৰত উল্লেখ কৰা ধৰণে অৱসৰ লয় আৰু সেই হিচাবে সাধাৰণতে শিক্ষক সকলৰ অৱসৰ হোৱাৰ ফলত বিশেষ অসুবিধাৰ অৱস্থা এটা সৃষ্টি হোৱা বুলি বোধগম্য নহয়। এই বিষয়টোৰ ওপৰত তথাপিও বিশেষ দৃষ্টি দিয়া হৈছে যাতে অতি সোনকালে নিযুক্তিৰ কাম সমাধা

কৰিব পৰা যায় । এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে, এই নিযুক্তিৰ ক্ষেত্ৰত আমাৰ নীতি অনুসৰি বিভিন্ন সম্প্ৰদায় অৰ্থনৈতিক ভাবে পিছ পৰা পৰিয়াল, ভূমিহীন কৃষকৰ পৰিয়াল, অৱসৰ প্ৰাপ্ত শিক্ষকৰ পৰিয়াল, সংখ্যালঘু, জনজাতীয় আৰু অনুসূচীত আদি সকলো শ্ৰেনীৰ লোকে যাতে যথোপযুক্ত ভাবে নিযুক্তিৰ সুবিধা পাব পাৰে তাৰ প্ৰতি যত্ন লব লগা হোৱাত নিযুক্তিৰ ক্ষেত্ৰত কিছু সময় লব লগা হৈছে ।

শ্ৰীসোণেশ্বৰ বৰা:— অধ্যক্ষ মহোদয়, মই এটা কথা পৰিস্কাৰ কৰি সুধিব খুজিছো, শিক্ষক নিয়োগৰ ক্ষেত্ৰত লিখিত ভাবে যি পৰীক্ষা লোৱা হল, তাৰ ফলা—ফল ইতিমধ্যে ঘোষণা কৰা হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে । এই শিক্ষকৰ নিয়োগৰ ক্ষেত্ৰত অৰ্থনৈতিক ভাবে পিচপৰা আৰু দুৰ্দশা গ্ৰস্ত লোক আৰু পিচপৰা সম্প্ৰদায়ৰ কথা লক্ষ ৰাখি নিয়োগ দিয়া হব বুলি মন্ত্ৰী মহোদয়ে কৈছে । লিখিত পৰীক্ষা সকলো সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ পৰা লোৱা হল । কিন্তু লিখিত পৰীক্ষাত যি সকলে পাৰ্গ-তালী দেখুৱালে সেই সকলক পাচ কৰি দিয়া হল আৰু তেওঁলোকৰ মাজৰ পৰা পুণৰ সাক্ষাত কৰা লৈ পিচত নিয়োগ কৰা হব । কিন্তু কোনো কোনো ঠাইত জন গোষ্ঠী বা পিচপৰা সম্প্ৰদায়ৰ কোনো প্ৰাৰ্থীয়ে যদি লিখিত পৰীক্ষাত পাছ কৰিব পৰা নাই তেনে ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী) অধ্যক্ষ ডাঙৰীয়া , বৰা ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে সেইটো ঠিকেই হৈছে । লিখিত পৰীক্ষাৰ বাবে যি সকল প্ৰাৰ্থীয়ে আবেদন কৰিছিল সেই আবেদন পত্ৰত বিভিন্ন কেটেগৰিৰ কথা কোৱা হৈছে বিধান সভাত আমি যিটো প্ৰস্তাৱ গ্ৰহণ কৰিছো পপুলেচন পেটাৰ্নমতে নিয়োগ হব লাগে বুলি এনে ক্ষেত্ৰত যি সকল প্ৰাৰ্থীয়ে পৰীক্ষা পাছ কৰিব নোৱাৰিলে তেওঁলোকৰ পুণৰ পৰীক্ষা লব নালাগে ।

শ্ৰীসোণেশ্বৰ বৰা :— যদি পুণৰ পৰীক্ষা লোৱা নহয় তেন্তে কি ভিত্তিত নিয়োগ দিয়া হব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ :— ( মুখ্য মন্ত্ৰী ) ৰিলেটিভ মেৰিট নিশ্চয় নিৰ্ণয় কৰা হব আৰু এই নিৰ্ণয়ত বোধ কৰো পাছ কৰাত কোনো অসুবিধা নহব ।

শ্ৰীমাল পেগু :— অধ্যক্ষ মহোদয়, এখন স্কুলৰ পৰা আন এখন স্কুললৈ শিক্ষক বদলি কৰাৰ যি কথা মন্ত্ৰী মহোদয়াই কলে সেইটো স্থানীয় ভাবে কৰিব পৰা নহব আৰু ইয়াৰ পৰা, অৰ্থাত জইণ্ট ডি, পি, আয়ে কৰিব লাগিব । এই কথা সঁচনে ? আৰু লিখিত ভাবে যিটো পৰীক্ষা হৈ গল তাৰ ফলাফল ঘোষণা কৰা হলনে নাই ?

শ্ৰীগিয়াচুদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, আগেয়ে প্ৰাইমেৰী স্কুলৰ শিক্ষক নিয়োগৰ ক্ষেত্ৰত এটা ৰিজিঅনেল বৰ্ড আছিল আৰু মোটা মোটি ভাবে সেই বোৰ্ডৰ যি নিয়ম সেইমতে শিক্ষক নিয়োগ কৰা হৈছিল । কিন্তু চাব ডিভিজন ওৱাইজ পপুলেচন পেটাৰ্নত নিযুক্তিকৰণ হব লাগে বুলি বিধান সভাত প্ৰস্তাৱ পাছ কৰা হল । গতিকে, ৰিজিঅনেল বৰ্ডৰ যি নিয়ম সেই মতে গাওঁ পঞ্চায়ত এলেকা বা সমষ্টি ভিত্তিত নিয়োগ কৰা হব জানো ?

শ্ৰীআব্দুল হানান চৌধুৰী :— যিসকল শিক্ষক ৰিটায়াৰ কৰিলে তেওঁলোকৰ যদি ডাঙৰ লৰা নেথাকে তেনেহলে সেই পৰিয়ালটোৰ বৰ অসুবিধা হব । আনহাতে যি সকল ইণ্টাৰভিউলৈ মতা নাই বা বেচিক ট্ৰেইনিং পাচ কিন্তু ইণ্টাৰভিউত ফেল কৰিছে তেওঁলোকৰো অসুবিধা নহবনে ?

শ্ৰীঅম্বৰীচ লাহৰি :— শিক্ষক নিযুক্তি নোহোৱাৰ বাবে বিশেষকৈ যিবিলাক চিংগল টিচাৰ স্কুল সেইবিলাকত বহেৰেকীয়া পৰীক্ষা লোৱাতো অসুবিধা নহবনে ?

শ্ৰীমুক্তাদিৰ ৰহমান চৌধুৰী :— শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক সকলে সুবিধা পাবনে ?

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :— যি জন কৰ্মচাৰীক নিযুক্তিৰ ভাৰ দিয়া যায় তেওঁ কোনজন ভূমিহীন বা দুখীয়া বা বিধবা আদি কথা নেজানো তেওঁ কেৱল ৰাজনৈতিক দৃষ্টিভঙ্গি বিবেচনা কৰিব । গতিকে বাচনি কমিতি খন নতুনকৈ কৰাৰ কথা ভাবিছেনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ :— ( মুখ্য মন্ত্ৰী ) বাচনি কমিতি যিমানেই নকৰক লাগে প্ৰকৃত সমস্যা সমাধান কৰিব পৰা নহব । পপুলেচন পেটাৰ্ন মতে সমস্যা সমাধান কৰিবলৈ হলে নিয়োগ পদ্ধতিক সলনি কৰিব লাগিব ।

শ্ৰীগিয়াচুদ্দিন আহমদ ডাঙৰীয়াই কৈছে আগতে ঠিক আছিল কিন্তু এতিয়া সন্দেহ কৰিছে। এইটোও নিৰ্ভৰ কৰিছে নিয়োগ পদ্ধতৰ ওপৰত গতিকে এই পদ্ধতি সলনি কৰিবলৈ ডি-আই সকলক নিৰ্দেশ দিব লাগিব। আমাৰ মুঠ শিক্ষক আছিল প্ৰায় ৪৫ হেজাৰ আৰু তাৰে মাত্ৰ ১১০০ মানে ৰিটায়াৰ কৰিছে। গতিকে ই বিশেষ একো সমস্যাৰ সৃষ্টি কৰিব নোৱাৰে। সেই বিষয়েও ডি - আই সকলক নিৰ্দেশ দিয়া হৈছে। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক সকলে সকলো সুবিধা পাব তেওঁলোকে ইন্টাৰভিউ দিব নেলাগে।

**Mr. Speaker :** Item No. 3

## PRESENTATION OF SUPPLEMENTARY DEMANDS FOR GRANTS AND SUPPLIMENTARY APPROPRIATIONS FOR 1975-76

**Shri Sarat Chandra, Sinha, Chief Minister :—**

Sir, I beg to present the list of Supplementary Demands for Grants and Supplementary Appropriation for 1975-76.

**Mr. Speaker :—** Item No. 4

## LAYING OF REPORTS

**Shri Indreswar Khound, Minister, Transport :—**

Sir, I beg to lay the Annual Accounts of the Assam State Road Transport Corporation for the year 1970-71 and the Audit Report thereon.

Mr Speaker : Item No. 5, Shri Rajbanshi :–

## MOTION FOR CONSIDERATION AND ADOPTION OF THE REPORT OF THE COMMITTEE OF PRIVILEGES.

**Shri Golok Rajbanshi (Chairman, Committee of Privileges)** Sir, I beg to move that the Assembly do now take into consideration the Twenty-third Report of the Committee of Privileges relating to the complaint of breach of privileges against the Editor, Printer and Publisher of 'Purbasree' by Shri Santosh Kumar Roy, M.L.A.

**Mr. Speaker** ; The motion is moved (After a pause—motion is passed Now (b)

**Shri Golok Rajbanshi** (Chairman, Committee of Privileges) : Sir, I beg to move that the Assembly do now adopt the Twenty-third Report of the Committee of Privileges reating to the complaint of breach of privileges against the Editor, Printer and Publisher of 'Purbasree' by Shri Santosh Kumar Roy, M.L.A.

**Mr. Speaker** : The motion is moved (After a pause-the motion is passed). Now item No. 6.

## THE ASSAM MOTOR VEHICLES TAXATION (AMENDMENT) BILL, 1979.

**Shri Indreswar Khound (Minister, Transport)** : Sir, I beg to move that the Assam Motor Vehicles Taxation (Amendment) Bill, 1976, be taken into consideration.

**শ্ৰীসোনেশ্বৰ বৰা** :—অধ্যক্ষ মহোদয় মটৰ মালিক সকলক কৰ ৰেহাই দিয়া দেখদেখকৈ গ্ৰহণ যোগ্য নহয়। কাৰণ মালিক সকলে এতিয়াই কৰ নিদিয়াকৈ থাকে। এতিয়া ব্যৱস্থা কৰিছে যে যিমান দিন গাৰী খন নচলাকৈ থাকে সেই সময় ছোৱাৰ বাবে কৰ মাফ বা ৰেহাই পাব। এই আচনি লৈ মালিক সকলে কৰ ফাকি দিয়াৰ সুবিধা লব। অৱশ্যে গাৰী যদি নচলে তেনে আবেদন পালে স্থানীয় বিষয়া বা কৰটোনা বিষয়া জনে গৈ যদি অনুমোদন কৰে তেনেহলে এমাহ বা তেনে সময়ৰ বাবে কৰ ৰেহাই দিয়া বেয়া নহয়। এইদৰে ৰেহাই দিওঁতে যেতিয়া ঘাটি হব সেই ঘাটি পূৰণৰ কোনো ব্যৱস্থা ইয়াত

নাই। অনুমান কৰিব পাৰি যে এই ঘাটি পুৰণৰ বাবে চালু গাৰীবোৰৰ ওপৰতে অধিক কৰ লগাব লগা হব পাৰে। নাইবা অন্যান্য বস্তুৰ ওপৰতো অধিক কৰ লগাব লগা হব পাৰে। আটাইতকৈ ভাল কথা হব গাৰী যাতে অচল নহয় তাৰ ব্যৱস্থা কৰা। তেলৰ দাম বঢ়াৰ পৰা যি সকল মালিকৰ কেবাখনো গাড়ী থাকে সেই সকলে মাজে মাজে একোখন গাড়ী বহুৱাই থৈ বাকী কেইখনেৰে কাম চলাই থাকে। কাৰণ এখন গাড়ী চলিলে যিমান খৰছ হব এই ৰেহাই দিয়াৰ পিচত গাৰীখন নচলাকৈ থাকিলে বেচি লাভ হব। আগতে যিবোৰ মানুহে গাড়ী ব্যৱহাৰ কৰিছিল এতিয়া সেইবোৰৰ বহুতে হয় টেক্সি ব্যৱহাৰ কৰে নহয় ঘৰে একোখন গাৰী ব্যৱহাৰ কৰে। এনে ধৰণে গাড়ী বহুৱাই থৈ টেক্স ৰেহাই বিচাৰে। সেই কাৰণে গাৰী যাতে অচল নহয় বা বহুৱাই নথয় তাৰ উপযুক্ত ব্যৱস্থা লব লাগে। নহলে অচল গাৰীৰ ৰিপট পাই যিজন বিষয়া পৰিদৰ্শনৰ বাবে যাব তেওঁৰহে ওলোতাপাকে সুবিধা হব।

গতিকে ৰাজ্যৰ ফালৰ পৰা চৰকাৰ ঘাটিৰ সম্মুখীন হব। এইটো কথা এই কাৰণেই বিবেচনা কৰিব লাগে বুলি ভাবো, কথাটো হল যে অচল হৈ নাথাকিলেও মালিক সকলে অচল হৈ থকা বুলি কৈ চলাই থাকিবলৈ সুযোগ পাব। গতিকে এই বিলাক ব্যৱস্থা কৰি ৰাজহৰ ঘাটি পুৰাবৰ ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা মালিক সকলৰ পৰা আহিব, তেখেত সকলে কৰা আবেদন এখন নিৰ্দ্দিষ্ট যি গৰাকী বিষয়াই বিবেচনা কৰি সন্তোষ লাভ কৰাৰ কথা কৈছে এই গৰাকী বিষয়াই সন্তোষ লাভ কৰিবলৈ যাওতে দুৰ্নীতিৰ কিবা অদৃশ্য হাত থাকিব বুলি সন্দেহ কৰিবলৈ থল আছে। গাড়ী অচল হৈ থাকিলেও মালিক সকলে ৰেহাই পাব। আজি যি বিলাক ব্যৱস্থা কৰিছে চৰকাৰে তাৰ পৰা আমি এটা কথা জানিবলৈ বাধ্য হৈছো যে এই ব্যৱস্থাৰ দ্বাৰা কেৱল মালিক পক্ষহে উপকৃত হব। এই কেইটা কথালৈ মই দৃষ্টি আনিছো। গতিকে সংশোধনী উত্থাপন কৰিছো।

আমি এটা নিকা পৰিবহন ব্যৱস্থা বিচাৰো যাৰ পৰা মালিক সকলৰো যাতে কোনো ৰকমৰ জোৰ জুলুম নহয় আৰু চৰকাৰ পক্ষৰো কোনো লোকচান নহয়। এইটো চাব বুলি আশা ৰাখি মই সংশোধনী উত্থাপন কৰিলো।

শ্রীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী :—মাননীয় অধ্যক্ষ মহোদয়, মটৰ ভেহিকুল টেক্স সম্পৰ্কিত যিটো সংশোধনী প্ৰস্তাৱ আনিছে, আৰু ইয়াৰ দ্বাৰা যিটো নতুন ব্যৱস্থা কৰিব খুজিছে ইয়াত সুৰুঙা ৰৈ যাব বুলি মই ভাবো। আগতে এখন গাড়ী ৩ মাহ বহি থাকিলে টেক্স ৰেহাই পোৱাৰ ব্যৱস্থা আছিল। এতিয়া সেই তিনিমাহৰ ঠাইত ১ মাহ কৰিব বিছাৰিছে। এক মাহ বহি থকাৰ কাৰণে ৰেহাই পাব এই ৰেহাই যদিও তেনেই নগন্য তথাপি তেওঁলোকে চিজনেল টাইমত বহুৱাই ৰাখি টেক্স ৰেহাই লব। সেই বিলাকক এনফৰ্চমেণ্ট বিভাগেও ধৰিব নোৱাৰে। কাম কৰিব কিন্তু ফাকি দিয়াৰ সুবিধা পাব। গতিকে ইয়াত নতুন আনফেয়াৰ মিনচৰ সুবিধা দিয়া হৈছে। আজি আমাৰ দেশত টেক্স ফাকি দি থকা হৈছে। কৰ সংগ্ৰহ আপ টুডেট কৰিব পৰা নাই। গতিকে লাখ লাখ টকা বাকী আছে। তদুপৰি মালিক সকলক এনেকুৱা সুবিধা দিয়া হৈছে যে মাহৰ পিচত মাহ মেচিনৰ গোলমাল হৈছে বুলি বহুৱাই ৰাখি কাম চলাব পাৰে তেন্তে দুই মাহ বহুৱাই ৰাখি তলে তলে কাম চলাই থাকিব। এনেকুৱা হোৱাটো নিতান্ত স্বাভাবিক। ইয়াৰ কাৰণে মালিক পক্ষৰ পৰা চৰকাৰৰ ওচৰত কিবা আবেদন নিবেদন কৰিছিলনেকি ? হয়তো তেনে কৰিব পাৰে। তেওঁলোকে হয়তো মন্ত্ৰীৰ ওপৰলৈ গৈ সুৰুঙাৰ বাট উলিয়াই দিছে। সেই কাৰণেই মই অনুৰোধ কৰিছো আমাৰ চৰকাৰ যি ফালেই লাভবান হব সেই ফালেই চিন্তা কৰিব লাগে। আৰু যি ফালৰ পৰা লোকচান হোৱাৰ আশা থাকে সেই বিলাক পথ বাদ দিব লাগে। মটৰ গাড়ী যিলাকে সময়মতে কাম কৰিলে যথেষ্ট আয় আছে। কিন্তু দিবলগীয়া কৰৰ পৰা চৰকাৰক বঞ্চিত কৰি আহিছে। ৩১।৩।৭১

তাৰিখলৈ আমাৰ ৪২ লাখ টকাৰ টেক্স আদায় কৰিবলৈ বাকী আছে। দুখীয়া মানুহ বিলাকৰ ওপৰত ঘোৰ জুলুম কৰি টেক্স আদায় কৰিব পাৰে কিন্তু মটৰ মালিক সকলৰ পৰা টেক্স আদায় কৰিব নোৱাৰে। কাৰণ প্ৰয়োজন মতে তেওঁলোকে খোৰাক যোগান ধৰে। গতিকে মালিক পক্ষৰ ওপৰত চৰকাৰে তেওঁলোকৰ আইন খিলাই দিছে। দুখীয়া কৃষক সকলৰ প্ৰতি চৰকাৰৰ মমতা নাই কিন্তু ধনী মটৰ মালিক সকলৰ প্ৰতি মমতা পুৰা মাত্ৰাই আছে। যদিও ৩১।৩।৭১ চনলৈকে ৪২ লাখ টকাৰ টেক্স আদায় কৰিবলৈ বাকী আছে, সেই সকলো প্ৰকাৰৰ টেক্স গোটেই খিনি মিলাই চালে প্ৰায় ২০ কোটি মান টকাৰ টেক্স আদায় কৰিবলৈ বাকী আছে। চৰকাৰ শক্তিশালী মানুহৰ ওপৰত কিয় নৰম আৰু গৰীব মানুহৰ ওপৰত কিয় গৰম হয়। দুখীয়াৰ কাৰণে যদিও কুৰি দফীয়া আচনি কৰিছে এই আচনি আমি ভবাত এই আচনি শতকৰা কুৰি জন মানুহৰ কাৰণেহে কৰিছে। আশা ৰাখিছো চৰকাৰে এই বিলাক কথা ৰিভিও কৰিব। ধনী মালিক সকলক সুবিধা দি থকাটো উচিত নহয়। যি চৰকাৰে দুখীয়াৰ কাৰণেই সকলো কাম কৰা হৈছে বুলি কৈছে সেই চৰকাৰৰ দুখীয়াৰ প্ৰতি দৰদ নোহোৱাটো বৰ আচৰিত কথা। এই জৰুৰী অৱস্থাত ধনী মালিক সকলক সুবিধা দিয়া উচিত হোৱা নাই বুলি মই ভাবো।

উপাধ্যক্ষ মহোদয়, চৰকাৰে এইদৰে টেক্স আদায় কৰি চৰকাৰৰ তহবিল বঢ়াবৰ চেষ্টা কৰিছে। গতিকে মই অনুৰোধ কৰিছো আৰু আমাৰ মন্ত্ৰী মহোদয়ো এজন দৰদী মানুহ গতিকে ধনীক এই কৰৰ পৰা ৰেহাই দি বা যি সকলে এই কৰ ৰেহাই দিবলৈ উপদেশ দিছে সেই সকলো উঠাই দিবলৈ আৰু এই এমেণ্ডমেণ্টটো উঠাই লবলৈ মই অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীকেশৰাম হাজৰিকা :— উপাধ্যক্ষ মহোদয়, মই এই বিলখনৰ সম্পৰ্কত দুআষাৰ কবলৈ বিচাৰিছো। কৰ ৰেহাই দিয়া সম্পৰ্কে ইয়াত প্ৰস্তাৱ অনা হৈছে। আমাৰ অসমীয়াত এটা কথা আছে কাৰোবাক দেখি

ৰাঙ্কে – বাচে, কাম্বাবাক দেখি তুল্লাৰ মাৰে এতিয়া এই চৰকাৰে এই প্ৰস্তাৱটোৰ দ্বাৰা এই কথাটো স্পষ্ট কৰিবলৈ বিচাৰিছে । যি কৰ দিব পাৰে তাক কৰ ৰেহাই দিয়া হয় বা ৰেহাই দিয়াৰ বন্দবস্ত কৰিছে । আৰু যি সকল লোকে কৰ দিব নোৱাৰে তেওঁলোকৰ ওপৰত জোৰজুলুম কৰা হৈছে । মাননীয় সদস্য প্ৰধানী আৰু বৰা ডাঙৰীয়াই কৈছে দুখীয়া মানুহৰ ওপৰত জোৰ জুলুম কৰা হৈছে । মহোদয়, আপুনি জানে যে এজন দুখীয়া খেতিয়কৰ দুবিঘা মাটি আছে আৰু দুই, তিন, চাৰি বছৰৰ পিচত সেই মাটিৰ ৬ টকা বা ৮ টকা খাজনা দিবলগীয়া হল যদি সেই দুখীয়া মানুহ জনে খাজনা দিব নোৱাৰে তেনেহলে সেই মাটি খিনি নিলাম কৰি চৰকাৰী কৰি দিয়া হয় । মানুহজন মাটিৰ অধিকাৰৰ পৰা বঞ্চিত হয় আৰু তেওঁ আহি ৰেভিনিউ বোৰ্ডৰ ওচৰত আপিল আদি কৰাৰ ক্ষমতাই নাই । আৰু কেনো কোনো ক্ষেত্ৰত দেখা গৈছে কৰ দিব নোৱাৰাৰ ফলত সেই মানুহ জনৰ স্থাৱৰ বা অস্থাবৰ যি সম্পত্তি থাকে সেই খিনি জোৰ কৰি লৈ যোৱা হয় । আনহাতে দেখা গৈছে আজি ধনী সকলে না না ৰকমে কৰ ফাকি দিছে আৰু কৰ ৰেহাই পোৱাৰ বন্দবস্ত কৰিছে মহোদয়, আপুনি কেতিয়াবা প্ৰাইভেট বাচত গৈছে । তেতিয়াহলে নিশ্চয় আপুনি দেখিছে যে একোখন বাচত ৪০ টা চিটৰ ঠাইত মানুহ নিয়ে এক শ টা আৰু চেকিংত কেইজন মান মানুহক মাত্ৰ টিকেট দিয়ে বাকী মানুহৰ ভাৰা লয় কিন্তু টিকেট নিদিয়ে । এই দৰেই মানুহ বিলাকক লুটি আছে । ইয়াৰ উপৰিও এইটো কথাও আপুনি নিশ্চয় জানে যে যাৰ নামত গাড়ীৰ পাৰ্মিট লোৱা হয় সেই পাৰ্মিট সেই বিশেষ ব্যক্তিজনে নাৰাখি আনক ভাৰা দিয়ে আৰু সেই ভাৰাৰে তেওঁৰ পৰিয়ালটো চলাই । এতিয়া দেখা যায় শতকৰা ৯০ খন বাচেই ধনী মহাজনৰ হাতলৈ গুচি গৈছে । আৰু এইদৰে একো জন মহাজনে অসংখ্য বাচ ভাৰা লৈ বিজিনেচ কৰি দুখীয়া সকলক লুট কৰিছে আৰু এই কাৰণেই প্ৰায় ৪২ লাখ টকা জবৰী অৱস্থা স্বত্তেও বাকী পৰি গৈছে । এইটো এটা অনুতাপৰ বিষয় হোৱা নাই

নে ? মহোদয়, ইয়াৰ উপৰি দেখা গৈছে যিসকলে হাত-মুখ ধুৱাই দিব পাৰে সেই সকলৰ বেয়া গাড়ীও পাচ কৰি দিয়া হয়। গোৰ সমষ্টিতেই মই নিজে প্ৰাইভেট গাড়ীৰ দ্বাৰা ৰাজহুৱা কাম কৰো। মোৰ নিজৰ অভিজ্ঞতাৰ পৰাই কৈছো। এদিন মই নগাওঁ টাউনৰ পৰা সালনা গাওঁলৈ গৈছিলো। ৰাষ্টাত গাড়ী সাত বাৰ বেয়া হৈছিল মই ১২ টা বজাত পাবগৈ লাগিছিল কিন্তু মই পালোগৈ চাৰে তিনিটা বজাত। গতিকে এই বিলাক বেমেজালি অতি সোন কালে দুৰ কৰিব লাগে। শেষত মই অনুৰোধ কৰো তিনি মাহৰ কাৰণে গাড়ী ঘৰত বহি থাকিলে যি কৰ দিব লাগিব সেইটো এমাহলৈ আহিলে বৰ বিশেষ সুবিধা নহব।

গতিকে মই অনুৰোধ কৰো এই সংশোধনীটো নানি পাচিং ষ্টেজলৈ যোৱাৰ আগতে সেই বিলখন মতা-মতৰ কাৰণে পঠিয়াই দিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণী মাৰিলো।

শ্ৰীজানকী নাথ সান্দিকৈ :— উপাধ্যক্ষ মহোদয়, মটৰ ভেহিকেল এক্টৰ মতে গাড়ীৰ মালিক সকলে যি কৰ দিব লাগে সেই কৰ গাড়ী তিনি মাহ বহি থাকিলে আৰু সময় মতে জনালে সেই কৰৰ পৰা মালিকে আগতে ৰেহাই পাইছিল। সেই প্ৰষ্টাৱটো এতিয়া এক মাহলৈ আনি কিছুমান বিশৃঙ্খলাৰ সৃষ্টি কৰিবলৈ বিচাৰিছো। কাৰণ এক মাহৰ কাৰণে গাড়ী খন বহি আছে এই কথাটো অফিচক জনাব লাগিব, লাইচেন্স চাৰেণ্ডাৰ কৰিব লাগিব ফলত ডি, টি, ও অফিচৰ কাম বাঢ়িব আৰু মালিকৰো খৰচ বাঢ়িব। গতিকে এক মাহৰ কাৰণে অনাটো বিশেষ সুবিধা নহব। গতিকে দেখা যায় এমাহলৈ আনিলে ৰাইজৰ উপকাৰৰ বাহিৰে অপকাৰহে বেছি হব। আৰু ডি, টি, ও অফিচৰ কামো বাঢ়িব আৰু ৰাইজৰ মাজত দুৰ্নীতি বাঢ়ি যাব। গাড়ীৰ মালিকে টকা ৰাহি পাবলৈ গৈ খৰচহে বাঢ়িব।

গতিকে মই এই সংশোধনীটো যাতে পাচিং ষ্টেজলৈ নপঠিয়াই তাৰ আগতে প্ৰচাৰৰ কাৰণে দিয়ে তাকে অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণী মাৰিলো

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড: (পৰিবহন মন্ত্ৰী) মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিখিনি পৰামৰ্শ আগবঢ়াইছে সেইখিনি মই শুনিলো। দেখাগল আৰু এটা কথা ধৰিলোৱা বুলি অনুমান হ'ল যেন মটৰ মালিক সকল ধনী মানুহ। কিন্তু মটৰ মালিক সকলৰ ভিতৰত এনে মানুহো আছে যি এখন টেক্সিৰে মালিক আৰু সেই টেক্সিখনক লৈয়ে জীৱিকা নিৰ্ব্বাহ কৰে। আনহাতে আমাৰ কিছুমান নিবনুৱা যুৱক সকলক জীৱিকা নিৰ্ব্বাহৰ কাৰণে তেওঁলোকক একোখন টেক্সি দিয়া হৈছে। তেওঁলোকে বেঙ্কৰ ধাৰ আৰু চৰকাৰৰ পৰা পইচা লৈ সেইখিনি কিনিছে আৰু সেইখনক লৈয়ে জীৱিকা নিৰ্ব্বাহো কৰিব লাগিব আৰু ধাৰো মাৰিব লাগিব। গতিকে মটৰ মালিক মানেই ধনী বুলি কলে ভুল হ'ব।

আমি যিটো সংশোধনী আনিছো সেইটো আচলতে কৰ ৰেহাইৰ কাৰণে নহয়। আমাৰ এখন এই সম্পৰ্কে কমিটি কৰা হৈছিল আৰু সেই কমিটিয়ে চালি-জাৰি চাই আগতে যিটো ৩ মাহৰ কেলেণ্ডাৰৰ কথা আছিল অৰ্থাৎ ১ তাৰিখৰ পৰা ৩১ তাৰিখলৈকে সেইটো ৰেহাই পাবৰ কাৰণে ৩০ দিনীয়া কৰাৰ যত্ন কৰা হৈছে। কাৰণ ইয়াৰ পৰা দুখীয়া মালিক বিলাকে ৰেহাই পাব কিয়নো মাহে মাহে দিলে তেওঁলোকৰ টেক্সৰ বোজা কমি যাব আৰু তিনিমাহত একেলগে যিমান দিব লাগিব এক মাহত তাতকৈ কমিব আৰু ইয়াৰ পৰা টেক্স ফাকি দিয়াৰ সম্ভাৱনা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই গাড়ী বেয়া সম্পৰ্কে যিখিনি পৰামৰ্শ আগ বঢ়াইছে সেইখিনি ভাল পৰামৰ্শ। কিন্তু গাড়ী ইচ্ছা কৰিয়ে মালিকে বেয়া নকৰে কাৰণ মালিকৰো ইচ্ছা সেইখন গাড়ী বেয়া হোৱা সম্পৰ্কে আমাৰ যিবিলাক স্থানীয় অফিচাৰ আছে তেওঁলোকে চোৰাংচোৱাৰ নিচিনা হৈ চাই ফুৰে। আৰু চালি-জাৰি চাইহে ৰেহাই দিয়াৰ কৰাণে ৰেপোৰ্ট দিয়ে। আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰধানী ডাঙৰীয়াই ধনী মানুহক কৰ ৰেহাই দিয়াৰ কথা কৈছে কিন্তু সেইটো কৰা নাই। টেক্স আদায়ৰ ক্ষেত্ৰত সকলোকে সমান চকুৰে চোৱা হয়। টেক্স আদায়ত অকল পৰিবহন

বিভাগেই আগ ভাগ লোৱা, নাই, সকলো বিভাগেই টেক্স আদায়ৰ যত্ন কৰিছে। মাননীয় সদস্য সকলে টিকেট নিদিয়াৰ কথা কৈছে কিন্তু এই ক্ষেত্ৰত আমাৰ ৰাইজৰো দোষ আছে। কাৰণ এজন যাত্ৰীয়ে ১·২৫ অনা লৈ টিকট কিনাতকৈ টিকট নোলোৱা ১·০০ টকা কৈ দিয়াকে উচিত বুলি ভাবে আৰু সেই সুবিধাকে গাড়ী বিলাকেও লয়।

শ্ৰীকেহোৰাম হাজৰীকা: টিকট নোলোৱা নহয় টিকট নিদিয়ে। চৰকাৰী বাচৰ কথা নকওঁ যি বিলাক প্ৰাইভেট বাচ মই নিজেই পাইছো ইনচিষ্ট নকৰিলে বা কৰিলেও টিকট নিদিয়ে। এই বিষয়ে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড: (মন্ত্ৰী) দুয়োটা কথা লগলাগি এইটো হৈছে। কৰ ফাকি দিয়াৰ ধাৰনা নাই কিয়না মাহিলী হিচাব তেওঁলোকে অফিছত দিব লাগিব।

শ্ৰীগিয়াচুদ্দিন আহমেদ: টিকট নিদিয়া কথাটো নিতান্ত সচা কথা। ময়ো কেতিয়াবা প্ৰাইভেট বাচত যাওঁ কিন্তু টিকট নিদিয়ে। খুজিলেও পাচত দিম দিম বুলি কয় আৰু পাচত নিদিয়ে। গতিকে এই বিষয়ে চৰকাৰী বিষয়া সকলে কিবা তদন্ত কৰিব নোৱাৰেনে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড: (মন্ত্ৰী) তেওঁলোকে এখন টিকেটো নিদিয়াটো সম্ভৱপৰ নহয়।

শ্ৰীজানকী সন্দিকৈ: মই এটা কথা পৰিস্কাৰ হব বিচাৰিছো, প্ৰাইভেট বাচৰ টিকট নিদিয়ে থাক বেছিকৈ কথা কিন্তু আমাৰ ফালে চৰকাৰী বাচতে পেচেঞ্জাৰ বেছি মানুহ উঠাই আনহাতে কেতিয়াবা আমি নিজে কলেও গাড়ী নাযায় এই কথাৰ মন্ত্ৰী মহোদয়ে খবৰ লবনে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড: (মন্ত্ৰী) সন্দিকৈ ডাঙৰীয়াই যিটো কথা কৈছে সম্পূৰ্ণ নোহোৱা নহয়। কিন্তু তেখেত সকলৰ তাত এখন ঠাই আছে মই নামটো পাহৰিলো তাত ইঞ্জিনৰ ওপৰতো বোলে মানুহ উঠি যাবলৈ চাই। মই এবাৰ শিৱসাগৰলৈ যাওঁতে এই কথা কৈছিল। গতিকে এনেকুৱা ক্ষেত্ৰত কেতিয়াবা টিকট দিয়াৰো অসুবিধা হব পাৰে।

গতিকে উপাধ্যক্ষ মহোদয়, আমি কৰ ফাকি দিবৰ কাৰণে যত্ন কৰা নহয় এইটো ৰাইজৰ সুবিধাৰ কাৰণেহে কৰা হৈছে। এই খিনিকে কৈ মোৰ বক্তৃতাৰ সামৰনী মাৰিলো।

**Mr. Deputy Speaker** – The motion is that the Assam Motor Vehicles Taxation (Amendment) Sill, 1976 be taken into consideration.

(After a pause)

The motion is passed. There is no amendment, so we come to (c).

**Shri Indreswar Khound, (Minister)**—Sir, I beg to move that the Assam Motor Vehicles Taxation (Amendment) Bill, 1976 be passed,

**শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :**— মাননীয় উপাধ্যক্ষ মহোদয়, যি খন মটৰ ভেহিকোল টেক্সেশ্যন এমেনমেণ্ড বিল ইয়াত আনিছে সেইখনে মটৰ মালিক সকলক সকাহ দিয়াৰ কাৰণে অনা হৈছে বুলি কোৱা হৈছে ।আগতে কোনো মটৰ মালিকৰ গাড়ী যদিও মাহৰ কাৰণে অচল হৈ পৰি থাকে তেতিয়াহলে তেওঁক টেক্স ৰেহাই দিয়াৰ ব্যৱস্থা অছিল কিন্তু তাৰ ঠাইত এতিয়া বৰ্ত্তমানে এইটো এমাহলৈ নমাই অনা হৈছে অৰ্থাত যদি এমাহৰ কাৰণে গাড়ী পৰি থাকে তেতিয়াহলে তেওঁক টেক্স ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হব। এই বিলখনৰ সংক্ৰান্তত যি খিনি কথা কোৱা হৈছে বা এই বিলখনৰ অব্জেক্ট বা ৰিজিন হিচাবে যি খিনি কথা কৈছে সেই হিচাবে মালিক সকলকহে টেক্সৰ পৰা ৰেহাই দিয়াৰ ব্যৱস্থা কৰা দেখা যায়। ইয়াত মোৰ কোনো আপত্তি কৰিবলগীয়া কথা নাই। কিন্তু এটা কেৱল এই বিলৰ দ্বাৰা অকল মটৰৰ মালিকক্কে ৰেহাই দিয়াটো মুখ্য উদ্দেশ্য হোৱাতো উচিত নহয়। আগতে সময়মতে দৰ্খাস্ত আৰু লাইচেন্স চাৰেণ্ডাৰ কৰাটো মানি লোৱা নহয়। যদি তিনিমাহ গাড়ী খন পৰি থাকে মন্ত্ৰী মহোদয়ে মটৰ সংক্ৰান্তত বহু কথাই কৈছে। তাৰ লগতে যদি যাত্ৰী সকলৰ সা-সুবিধাৰ কথা চিন্তা কৰিলেহেতেন তেতিয়াহলে আৰু ভাল হলহেতেন। কিন্তু আজি এই বিলখনৰ জৰিয়তে তেনেধৰণৰ চিন্তা কৰা নাই যেন দেখিবলৈ পাইছো। তাৰ পাচত আমি আৰু দেখিবলৈ পাইছো যে আমাৰ ৰাস্তা-ঘাটিবোৰত মটৰ গাড়ীৰ দুৰ্ঘটন বৰকৈ বৃদ্ধি পাইছে, ইয়াৰ প্ৰধান কাৰণ হ'ল আমি বেচিভাগ ক্ষেত্ৰত দেখিবলৈ পাইছো যে

যিবিলাক মটৰ, ৰাস্তা ঘাটত চলিবলৈ দিয়া হৈছে সেই মটৰ বিলাক তাল্‌ধৰণে চেক কৰাৰ ব্যৱস্থা কৰা হোৱা নাই আৰু তাক ভাল্‌ধৰণে ইন্সপেকশ্যন কৰা হোৱা নাই কিন্তু আইন মতে ৬ মাহৰ অন্তৰে অন্তৰে গাড়ীবোৰ চেক কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু গাড়ীৰ ইন্সপেকশ্যন ৰিপোৰ্ট দাখিল কৰিব লাগে। কিন্তু কোনো দিনে তেনে ধৰণৰ ইন্সপেকশ্যন বা চেক নকৰাৰ কাৰণে মটৰ গাড়ীবোৰৰ এক্সিডেণ্ট বৃদ্ধি পাইছে আৰু সেইবিলাক দুৰ্ঘটনাকে মেনুপুলেট কৰি গাড়ী থিক আছে বুলি প্ৰমানিত কৰে। গতিকে যদি এই চেক আৰ ইন্সপেকশ্যন ভাল দৰে হ'লহেতেন তেতিয়াহ'লে এই দুগুণে বৃদ্ধি পোৱা দুৰ্ঘটনাৰ হাত সাৰিব পৰা গ'লহেতেন আৰু সেইদৰে বহুতো জীৱন আৰু সম্পত্তিৰ ৰক্ষা পাৰিলেহেতেন। সাধাৰণতে এই যাত্ৰীবাহী গাড়ী বিলাকত যিমান সংখ্যক আসন আছে আৰু সেই গাড়ীৰ যিমান মাল কঢ়িয়াৰ ক্ষমতা আছে তাৰ ওপৰতহে ভিত্তি কৰি গাড়ীৰ ওপৰত টেক্স নিৰ্ধাৰণ কৰা হয় গতিকেই এই যাত্ৰীবাহী গাড়ী বিলাকত যিমান ইচ্ছা সিমান যাত্ৰী ওপৰা ওপৰিকৈ কঢ়িয়াই লৈ যায় আৰু সেইদৰে বহুত ওজনৰ মাল কঢ়িয়াই নিয়া দেখা যায় ফলত বহু সময়ত এই যাত্ৰীবাহী গাড়ী বিলাক দুৰ্ঘটনাৰ সন্মুখীন হয় আৰু এই যি ওপৰঞ্চি মানুহ কঢ়িয়াই নিয় হয় সেই বিলাকৰ টেক্স কলেক্ট কৰা নহয়, সেই খিনি ভাড়াৰ টেক্সৰ অংশ চৰকাৰে নাপায়। গতিকে এনেবিলাক হোৱাৰ কাৰনে অকল যাত্ৰীৰ অসুবিধা বা খেলিমেলি হোৱাই নহয় আনকি পাবলগীয়া টেক্সৰে পৰা চৰকাৰ বঞ্চিত হ'বলগীয়া হয়। গতিকে এই বিলৰ দ্বাৰা কেৱল মটৰ মালিক সকলকেই বেহাই দিয়া কথাটো যুক্তিসঙ্গত নহয় ইয়াৰ দ্বাৰা যাত্ৰী সকলৰ অহা-যোৱাৰ সুবিধা আৰু কৰ ফাকি দিয়াৰ সুৰুঙা বিলাকো আঁতৰ কৰাৰ ব্যৱস্থা কৰাতো বেচি যুক্তিসঙ্গত। অনাহকতে যি বিলাক কাৰণত আমাৰ যাত্ৰী সকলে জিয়াতু ভুগিব লগীয়া হৈছে সেই বিলাক দূৰ কৰিব লাগে। আনহাতেদি একজাম্পশ্যন দিয়াৰ ক্ষেত্ৰত ৩ মাহ সময় দিছে কিন্তু এই ৩ মাহ সময় দিয়াৰ পিচতো যি খিনি 'দিউ' সেই খিনিও আদায় নোহোৱাকৈ

পৰি আছে। মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে মাননীয় সদস্য পেগু ডাঙৰীয়াই যিহেতু বক্তৃতা দি থাকিবৰ সময়ত সদায় দিষ্টৰ্ব কৰে, গতিকে তেওঁক কেবিনেটত সামৰি লোৱাই উচিত হব। যাতে তেখেতক কণ্ট্ৰোল কৰিব পাৰি। নহয়তো আউট অব ফ্ৰাসট্ৰেশ্যনৰ কাৰণে হব পাৰে। উপাধ্যক্ষ মহোদয়, এই যে সময় ৩ মাহৰ ঠাইত এমাহ কৰিলে ইয়াৰ দ্বাৰা যে মটৰ মালিক সকল বিশেষ উপকৃত হব সেইটো মই ন্যাভাবো, কাৰণ ইতিমধ্যে মই জনাত এই সংক্ৰান্তত যি বিলাক অফিচিয়েল বেৰবৰ পজিমি চলি আছে আৰু নানা ধৰণৰ দুৰ্নীতি চলি আছে তাৰ দ্বাৰা মটৰ মালিক সকল খুব বেচি উপকৃত হব তাত সন্দেহ। গতিকে মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে এনে বিলাক আসোৱাহ আৰু দুনীতি অতি সোনকালে এই বিলখনৰ দ্বাৰা দূৰ কৰা হয়। ইয়াকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীমালচন্দ্ৰ পেগু :—মাননীয় উপাধ্যক্ষ মহোদয়, তিনি মাহৰ সময়ৰ যিটো কথা কোৱা হৈছিল সেইটো মাননীয় সদস্য জনক সহায় কৰিবৰ কাৰনেহে কৈছিলো যাৰ কাৰণে মাননীয় সদস্য জনে মোক ধন্যবাদহে জ্ঞাপন কৰিব লাগিছিল। অসমৰ সকলো বিলাক জেগাতে টিকট দিয়াৰ নিয়ম আছে কিন্তু মাজুলীত সেই নিয়ম নাই। আগতে যিয়েই আহিব সিয়েই বাছত বহিবলৈ সুবিধা পাব। পইচা বেছি লোৱাৰ কাৰণেই বাছত টিকট দিয়াৰ নিয়ম নাইকীয়া কৰি লৈছে। ১৯৭২ চনতে এই কথাটো দৃষ্টিগোচৰ কৰা হৈছিল যদিও এতিয়ালৈকে তাৰ কোনো ব্যৱস্থা নহল। শিলঘাট ভোমোৰা গুৰি ঘাটেদি পাৰ হওঁতে বাছত যাতে চিট পাব পাৰে তাৰ কাৰণে ফেৰীতে টিকট দিয়াৰ ব্যৱস্থা আছে। সেইদৰে মাজুলী কমলাবাৰীতে এই ব্যৱস্থাটো কৰিব পাৰি। তাৰ ব্যৱস্থা কৰিব লাগে। মই আশা ৰাখিছো এই টিকট দিয়াৰ ব্যৱস্থাটো যাতে কৰে। তেওঁকে নকৰাৰ কাৰণে এবাৰ বাছত চিট পাবলৈ হেতাওপৰা কৰাৰ ফলত মোৰ ১৭৫ টকীয়া শশমা এজোৰ গৈ পানীত পৰিলগৈ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—মই বাৰু মাননীয় সদস্য জনক ধন্যবাদ জ্ঞাপন

কৰিছো আৰু তেখেতৰ যি ১৭৫ টকীয়া শশমাজোৰ পানীত পৰিল তেনেকুৱা এজাৰ কিনি দিবৰ কাৰণেও মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

শ্ৰীসোনেশ্বৰ বৰা :—মহোদয়, সংশোধনী প্ৰস্তাৱৰ উত্থাপিত অৱস্থাত আমি যথেষ্ট কৈছো আৰু মন্ত্ৰী মহোদয়ৰ সমিধানো শুনিলো। মই পুনৰ এইকথাটোও কব খুজিছো যে, টেক্স এখন লৈয়েই যে কোনো এজন নিবনুৱা লোকে খুউব পইছা উপাৰ্জ্জণ কৰিছে বা মটৰ গাড়ী এখন লয়েই যে ধনী হব সেইটো কথাও কোৱা নাই। বিৰোধী দলত থকাৰ কাৰণেই যে এইটোৰ বিৰোধিতা কৰিছ। সেইটোও নহয়। আমাৰ শিক্ষিত নিবনুৱা ডেকাসকলে যাতে টেক্স আদি লৈ নিজৰ অন্নৰ সংস্থান কৰিব পাৰে তাৰ কাৰণেও আমাৰ বিৰোধী দলৰ মাননীয় সদস্য সকলে সময়ে সময়ে এই সদনৰ মজিয়াতে আগৰে পৰাই উত্থাপিত কৰি আহিছো। আমাৰ এযাৰ কথা আছে যে কোনো কোনোপাকত ঢকী থোৱাও সোমাই নাকত"। লোকৰ কান্ধত বন্দুক থৈ চিকাৰ কৰাটো আজিৰ নিয়মৰ দৰে হৈ পৰিছে। এই পৰিপ্ৰেক্ষিততেই এই কথাটোকোৱা হৈছে এনেকুৱা মানুহ আছে যি সকলে ধনৰ উপৰতে ব্যৱসায় কৰি নিজৰ উপাৰ্জ্জনকে বেয়া বুলি কয়। চৰকাৰ আৰু সমাজক গালি পাৰে। কিন্তু এখন বাছৰ পিছত দুখন বাছ, তাৰ পিছত ২।৩ খন। এই দৰে বাঢ়ি যায়। মূল্যৰ ফালৰ পৰা চালেও দেখা যায় যে, এজোন খেতিয়কৰ ৩০ বিঘা মাটি থাকিলেও তাৰ দাম বিঘাত দুইহাজাৰকে ৬০ হেজাৰ টকা হব। কিন্তু এখন বাছৰ দাম একলাখ। দুইলাখৰ কম নহব। সেইফালৰ পৰা অনামূলক ভৱে চালেও থাই বৈ কোনোমতে জীয়াই থকা বুলি কয় যদিও বাছ-ট্ৰাকৰ মালিক বিলাক সেই ফালৰ পৰা দুখীয়া নহয়। অৱশ্যে স্থাৱৰ-অস্থাৱৰ বুলি কথা এটাহে সোমাই আছে। মাননীয় সদস্য শ্ৰীপেগু ডাঙৰীয়াই যি টা কথা কৈছে সেইটোৰ কাৰণে ধন্যবাদ তেখেতৰ প্ৰাপ্য। কিয়নো মইও মোৰ বাস্তৱ অভিজ্ঞতাৰ পৰা সেইবিলাক ঠাই ঘূৰি-পকি দেখিবলৈ পাইছো যে, জেংৰাই

মুখ বা তাৰ কাষে পাজৰে যি বিলাক অঞ্চল আছে সেইবিলাক ঠাইৰ বাছ বিলাকত অসমৰ আন আন ঠাইৰ বাছত যি বিলাক কথা যেনে, বাহিৰলৈ হাত উলিয়াব, গাড়ীৰ ভিতৰত ধুমপান দণ্ডনীয় ইত্যাদি কথা বিলাক লিখা নেথাকে। আনকি এনেকুৱা কাহিনীও তাত হোৱা পঢ়িবলৈ পোৱা গৈছে যে, 'ফাৰ্ষ্ট এইড বক্স'ত ডাঙৰ চিলিম হে পোৱা গৈছিল। তাৰোপৰি কিবা অভিযোগ আদি থাকিলে কণ্ডাক্টৰ চপৰা অভিযোগ বহী খুজি তাত অভিযোগ লিখাৰ যিটো ব্যৱস্থা থাকিব লাগে সেইটোও ভালদৰে লিখা নথকাত যাত্ৰীয়ে কি কৰিব লাগিব সেইটো বুজি পোৱাৰ কোনো সুবিধা নাই। আনকি 'ষ্টেট ট্ৰেন্সপৰ্ট বাছতো আমি দেখিবলৈ পাইছো যে, কণ্ডাক্টৰৰ হাতত দুই-তিনি নম্বৰৰ একোখন 'এক্সাইজ বুকহে' আছে। তাতে এজন যাত্ৰীয়ে কিবা লিখি দিলে কিন্তু সেই বহীখন যদি ফালি পেলায় তেতিয়াহলে কোনেও একোকে কৰিব নোৱাৰে। এই বিলাক ক্ষেত্ৰতো যাতে পৰিস্কাৰ কৈ কথা বিলাক লিখা থাকে তাৰে ব্যৱস্থা কৰিব লাগে। বহুতো সময়ত এনেকুৱাও দেখা যায় যেন বাছত যাত্ৰীবিলাকক কণ্ডাক্টৰ বিলাকৰ অনুগ্ৰহতহে যায় যেন। তাৰোপৰি, আমাৰ মানুহৰ বিশেষকৈ বেলষ্টেশন মটৰ আদিত উঠিবলৈ গলে যাত্ৰী বিলাকৰ এটা চৰিত্ৰ আছে। এই অভিজ্ঞতাটোৰ কথা মন্ত্ৰী মহোদয়েও জানে কিয়নো আগত হলেও বা ভৱিষ্যতেও এইটো অভিজ্ঞতা পাব। হেচি থেলি এবাৰ কোনেবাকৈ সোমাব পাৰিলে তাৰ পিছত আৰু অন্যমানুহ আহিলে তেওঁক জেগাই নাই বুলি কৈ আতৰোৱাৰহে ব্যৱস্থা কৰে।

গাড়ী কম চলি থকাতেও অভাৱপেচেঞ্জাৰ হৈ থকা অৱস্থাটো এজন মানুহ উঠিব আৰু সেই মানুহ জনেই পিচত কব যে ঠাই নাই ঠাই নাই বুলি। ঠিক এনে ধৰণৰ ঘটনা হৈ আছে। ৫০ জনৰ ঠাইত ৬০ জন লৈ গৈয়ে আছে। মন্ত্ৰীয়ে কৈছে যে এক টকাত ৪ অনা বৰ্হাই পাইছে। কিন্তু কাকো যে বেহাই নিদিয়ে এইটো ঠিক। যদি বেহাই দিব লগীয়া হয় তেনেহলে কাৰোবাক এনেয়েই বেহাই দিয়া হয়। যেনে

চিপাহী চন্তৰী উঠিলে তেওঁলোকক ৰেহাই দিয়া হয়। কাৰণ তেওঁলোকক ৰেহাই নিদিলে কেতিয়াবা গাড়ী ধৰি ফাইন কৰিব পাৰে। বাকী সকল যাত্ৰীয়ে পইচা দি যায়। ইয়াত দুটা নিয়ম আছে। কিছুমানক বৰচত বাটত উঠাই লয়। সেই সকলক টিকট নিদিলেও হয়। কিছুমানে টিকট লব লাগে। মন্ত্ৰীয়ে মন্ত্ৰী হৈ থকাৰ আগতে নিশ্চয় এই বিলাক অভিজ্ঞতা পাইছিল। তেখেত মন্ত্ৰী হৈ থকাৰ কাৰণে আজি সদনত কিছুমান কথা আছে যি বিলাক কব নোৱাৰে কিন্তু তেখেতেও এই বিলাক কথা জানে। গতিকে তেখেতে বিধান সভাত স্বীকাৰ নকৰিলেও কথা বিলাক জানে। যেতিয়া আমি কোৱা কথা বিলাকৰ ওপৰত ব্যৱস্থা লব লাগে।

আৰু এটা কথা দেখা গৈছে যে বজাৰ বাচ বিলাকে ট্ৰেন্সপৰ্ট তকৈ বেচি পইচা পায়। ইয়াৰ কাৰণ হৈছে ট্ৰেন্সপৰ্ট বাচ চলা লাইন বিলাকত বজাৰ বাচৰ পাৰমিট দিছে। আৰু বজাৰ বাচ বিলাক সদায় ট্ৰেন্সপৰ্ট বাচতকৈ অলপ আগতে যায়। ট্ৰেন্সপৰ্ট বাচ যদি ৮টাত আহে তেনেহলে বজাৰ বাচ তাৰ ১৫ মিনিট মানৰ আগতেই আহিব। আৰু সেই বজাৰ বাচ খনে ৰাস্তাত ৰৈ থকা অটাইখিনি মানুহ লৈ যায়। গতিকেই বজাৰ বাচ বিলাকে পইচা পায় আৰু এই বাচ বিলাকে আগতেই পেচেঞ্জাৰ খিনি লৈ যোৱাৰ কাৰণে ট্ৰেন্সপৰ্ট বাচে পইচা নাপায়। এই বিলাক কাৰণতেই আমি সন্দেহ কৰিছো যে চৰকাৰে পাবলগীয়া টেক্স পোৱা নাই। আৰু এটা কথা হৈছে যে বেচি যাত্ৰী নিয়াৰ কাৰণেই বেচি ভাগ দুৰ্ঘটনা হৈছে। এই দুৰ্ঘটনা বিলাকৰ পৰা চৰকাৰে কিয় নিস্কৃতি দিব পৰা নাই? এই কথা খিনি পাৰিপাৰ্শ্বিকতাৰে চন্তালিব বুলিয়েই আশা বাখি কৈছো।

মন্ত্ৰী মহোদয়ে ধনী মটৰ মালিক সকলক টেক্সৰ পৰা ৰেহাই দিয়া নাই বুলি কৈছে। কিন্তু জনসাধাৰণক টেক্সৰ পৰা ৰেহাই দিয়াৰ আমি কোনো প্ৰমাণ পোৱা নাই। যদি এজন শিক্ষিত নিবনুৱা যুবকক তেওঁৰ টেক্স খিনি কাৰণে ৰেহাই দিয়াৰ কথা থাকিল হৈতেন

তেনেহলে আমি জনসাধাৰণক ৰেহাই দিয়াৰ প্ৰমান পালোহেতেন। যি বিলাক ধনী মটৰ মালিকৰ ৪।৬। খন টেক্সি বাচ আছে। তেওঁলোকে সপ্তাহত একোখন গাড়ী এনেয়েই বহুৱাই ৰাখে। তেওঁ লোকে ৪ মাহৰ পিচত একোখন গাড়ী এনয়েই বহুৱাই ৰাখে। আৰু এই দৰে এক মাহ বহুৱাই ৰখাৰ কাৰণে যি খিনি লোক চান হয় সেই খিনি পিচত অভাৰ পেচেঞ্জাৰ লৈ পূৰণ কৰে। গতিকে এক মাহ বহুৱাই ৰাখি টেক্স ৰেহাই পালে আৰু তাৰ পিচতেই অভাৰ পেচেঞ্জাৰ লৈ সেই মাহত হোৱা ক্ষতিও পূৰণ কৰিলে। আৰু চৰকাৰে সময় মতে টায়াৰৰ যোগানো দিব নোৱাৰে। টায়াৰৰ অভাবতো বহুত সময় গাড়ী বহুৱাই ৰাখিবলগীয়া হয়। এনে ধৰণেৰে ধনী মহাজন সকলে গাড়ী চলাই থাকিও টেক্স ৰেহাই পাই থাকিব। যি বিলাকৰ ৪।৬ খন গাড়ী আছে সেই সকলে গাড়ী বহুৱাই ৰখাৰ কাৰণে ড্ৰাইভাৰ হেণ্ডিমেনৰ চাকৰিও নাইকীয়া হব। আৰু তাৰ কাৰণেই নিবনুৱা সমস্যাও বাঢ়ি যাব। গতিকে অধ্যক্ষ মহোদয় মই পুণৰ চৰকাৰক নিবেদন কৰিছো যে চৰকাৰে এই বিষয়ত ভাল ধৰণেৰে বিবেচনা কৰি যাতে আমাৰ ৰাজহৰ লোকচনা নহয় তাৰ কাৰণে চকু ৰাখিবলৈ অনুৰোধ কৰিছো।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে তেওঁৰ কনচিদাৰেচন ষ্টেজত আমি যেন দুখীয়া মটৰ মালিক সকলৰ কাৰণে লগতে নিবনুৱা যুৱক সকলৰ কাৰণে আমি যেন দৰদী নহয় এই কথা প্ৰমান কৰিবলৈ বিচাৰিছে। আচলতে আমি কবলৈ বিচাৰিছো যে ধনী মটৰ মালিক সকলৰ যিমান বিলাক গাড়ী আছে, নিবনুৱা যুৱক সকলৰ কেই খনকৈ আছে? ধনী মহাজনৰ তুলনাত তেওঁলোক তেনেই নগন্য। কলিকতাকে আদিকৰি বাহিৰৰ পৰা ট্ৰাক সদায় আহিয়েই আছে। কিন্তু তাৰ নাম্বাৰ বিলাকলৈ লক্ষ্য কৰিলে দেখিব যে সেই বিলাকত গুৱাহাটীৰ নাম্বাৰ দিয়া। এই দৰেই মটৰ মালিক সকলে চৰকাৰক ফাকি দিবলৈ চেষ্টা কৰি আহিছে। এটা কথা দেখা গৈছে যে মটৰ মালিক সকলে চৰকাৰক ফাকি দিয়ে। আৰু সেইদৰে ড্ৰাইভাৰ বিলাকেও মালিক

সকলক ফাকি দিয়ে। কনদাক্টৰে অ হি মটৰ মালিকক কব যে পেচেঞ্জাৰ নাই কালেকচন কম। কিন্তু আচলতে সেইটো নহয়। পেচেঞ্জাৰ ঠিকেই আছিল। এইদৰে ফাকি দি মালিকক পইচা নিদিলে। মালিকে গাড়ী বা ট্ৰাক পঠাই দিয়ে গুৱাহাটীৰ পৰা মাল আনিবৰ কাৰণে। ড্ৰাইভাৰে কত কি কৰে ঠিকনা নাই মালিকক কব যে গাড়ী বেয়া হোৱাৰ কাৰণে বৈ থাকিবলগীয়া হল। আৰু অমুকটো পাৰ্ট'চ বেয়া কয়।

তদুপৰি আকৌ নতুন পাৰ্ট'চ্‌ৰ কথা দেখুৱাই মালিকৰ পৰা টকা আদায় কৰে এনেকুৱা ফাকি আমাৰ ট্ৰেন্সপৰ্ট বিভাগত চলি আছে। মটৰ যিমান ঘুৰে মালিকৰ ব্ৰেইনো সিমানেই ঘুৰে। মালিকেও ভাৱে ড্ৰাইভাৰ হেণ্ডিমেনেও ভাৱে কেনেকৈ দুপইচা লাভ হয়, কিন্তু চৰকাৰেহে নেভাৱে এই কথা। আনহাতে গুৱাহাটীত যিবিলাক টেক্সি, অটৰিক্সা চলে সেই বিলাকৰ কোনো মিটাৰ নাই, পল্টন বজাৰৰ পৰা অট লৈ দিচপুৰলৈ আহিলে কোনোবাই ভাৰা লয় ২। টকা কোনোবাই লয় ৩ টকা আৰু কোনোবাই লয় চাৰি টকা। এই বিলাক কিয় হৈছে? মিটাৰ নোহোৱা বাবেই আজি এনে হৈছে। এই সম্পৰ্কে খণ্ডিত থাকোতেও আমি কৈছিলো আৰু ইয়াতো বহুত বাৰ কোৱা হৈছে। অট ৰিক্সাৰ যুৱক সকলৰ ব্যৱহাৰৰ কথা কবলৈ গৈ মই কওঁ যে বহুতো যুৱকে যাবানে বুলি সুধিলে একেবাৰেই নাযাও বুলি কয়, (ধ্বনি, দিচপুৰলৈতো নাহেই), কিন্তু যদি মহিলা লৈ অহা যায় তেওঁলাকে তৎক্ষণাত মান্তি হয়। এইয়া বহুতো যাত্ৰীৰ পৰা শুনা কথা আৰু মোৰ নিজৰ অভিজ্ঞতাৰ পৰাও মই কৈছো। অৱশ্যে এওঁলোকৰ সকলোৱেই যে বেয়া এনে নহয়, এওঁলোকৰ মাজত দুই চাৰিজন ভালো আছে। এইবোৰ তদাৰক কৰিবলৈ চৰকাৰে এখন কমিটি পাতি দিছে, সেই কমিটিয়ে ........In accordance with the recommendations of the Motor Vehicles Taxation Committee set up by the State Government to examine the various grievances of the Motor Transport operators in the State...........

ড্ৰাইভাৰো অপাৰেটৰ হব পাৰে; মালিকো অপাৰেটৰ হব পাৰে। কিন্তু আচল অপাৰেটৰ কোন আমি নাজানো। ষ্টেটভেহিকোস কমিটি কাৰ দ্বাৰা গঠিত হৈছে নাজানো, (ধ্বনী—ষ্টেট গভৰ্ণমেণ্টৰ দ্বাৰা)। ষ্টেট গভৰ্ণমেণ্টৰ দ্বাৰা হৈছে সঁচা, কিন্তু পেচেঞ্জাৰৰ প্ৰতিনিধি আছেনে নাই? বা ইউজাৰচ প্ৰতিনিধি আছেনে নাই? বোধকৰো নাই। আমি আটাই বিলাক কমিটিৰ কথা নাজানো, কিন্তু এইবোৰ আমি জানিবলৈ পালে ভাল হয়। ইমান মানুহৰ স্বাৰ্থ ইয়াত জড়িত আছে। গোটেই ৰাজ্যখনৰ স্বাৰ্থ এই বভাগত জড়িত আছে এনে ক্ষেত্ৰত তিনি মাহৰ জেগাত এমাহৰ সুবিধা দিয়াতো যুক্তি যুক্ত বুলি মই নাভাবো। এইটো পাছিং ষ্টেজলৈ আহিছে যেতিয়া ইয়াৰ লগত জড়িত সকলো কথা চৰকাৰে ভালকৈ চাব লাগে। প্ৰায়ভেট কেৰিয়াৰ, কণ্ট্ৰেক্ট কেৰিয়াৰ আৰু বজাৰ বাছ বিলাক আছে। এই বিলাকৰ ভিতৰত বজাৰ বাছ বিলাকৰ অত্যাচাৰ আটাইতকৈ বেছি। এই বাছবিলাকে সপ্তাহৰ সাতোদিনেই বজাৰ পাই আৰু চৰকাৰী বাছ বা প্ৰায়ভেট বাছৰ আগে আগে গৈ পেচেঞ্জাৰ কালেক্ট কৰে। এই বজাৰ বাছ বিলাকত কোন যায়? মানুহ যায় আৰু মাল-বস্তু নিয়ে, আৰু যি বিলাক মানুহ যায় তেওঁলোকে আহোতে মাল-বস্তু কিনি আনে। মাল-বস্তু অনা নিয়াৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰি দিছে নেকি?

পেচেঞ্জাৰ টেক্স ফাকিৰ কথা হয়তো কৈ অহা হৈছে। মালিকক ফাকি দিয়ে, চৰকাৰক ফাকি দিয়ে। টেকনিকেল এক্সপাৰ্ট আছে, জেনেৰেল এক্সপাৰ্ট আছে, তাতোতকৈ ভাল এক্সপাৰ্ট আছে মন্ত্ৰী সকল, ইমানবিলাক এক্সপাৰ্ট থাকোতে ফাকি দিব পাৰে কেনেকৈ?

মিঃ ডেপুটি স্পীকাৰ :—আপুনি আৰু কিমান সময় লব?

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধান :—মোক আৰু কিছু সময় লাগিব।

মিঃ স্পীকাৰ ডেপুটি স্পীকাৰ :—আপুনি পিচত কব। The House Stands adjourned till 2-30 P.M.

## (After Lunch)

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী : অধ্যক্ষ মহোদয়, মই মটৰ টেক্স সংশোধনী সম্পৰ্কত কৈ আহিছিলো। মটৰ মালিক বিলাকে যে টেক্স ফাকি দিব সেইটো সচা কথা। ট্ৰাক বেয়া হৈছে বুলি চাৰ্টিফিকেট দি টেক্স ফাকি দিব। জংঘলত ট্ৰাকৰ কাম কৰি থাকিব—কোন পুলিচ ইন্সপেক্টৰে চাবলৈ যাব। ফল্‌চ নাম দি ফল্‌চ নাম্বাৰ প্লেট লগাই ট্ৰাক জংঘলত চলাই আছে। সচাকৈ যদি ট্ৰাক বেয়া হয় তেন্তে ৰেহাই দিব লাগে। কিন্তু এই সচাটোক নানা ভাবে অপব্যৱহাৰ কৰিব। ইয়াৰ প্ৰতি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। হাট বাচ বিলাকে পেচেঞ্জাৰ টেক্স, মালবস্তুৰ টেক্স আদি ফাকি দিয়ে। এই বিলাক কেনেকৈ লব পাৰি তাৰ কাৰণে চেষ্টা কৰিব লাগে।

এতিয়া ৩ মাহৰ ঠাইত একমাহ কৰিছে, পিচত কৰ ৭ দিন। এতিয়া বাৰ্ষিক কৰৰ বাৰ ভাগৰ এভাগ ৰেহাই পাবা যেতিয়া মন্ত্ৰী সনি হব তেওঁ কৰ ৭ দিন কৰিব লাগে আৰু এতিয়াৰ দৰ সংশোধনী আৰু হব আনি ৭ দিন কৰি লবা আন ফালে মালিক সকলৰ বহুতে অফিচলৈ গৈ ভাল নেপায় কাৰণ তেওঁলোকৰ ভৰনি হয়। সেই ভৰণি গাৰীৰ মালিক সকলে নিজৰ পৰা কেতিয়াও নিদিয়ে, তাক গাৰী খনৰ পৰাই উলিয়াই। সেই কাৰণে এইটো পুনৰ বিবেচনা কৰিবৰ বাবে এতিয়া দ্ৰপ কৰিব লাগে।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড :—(মন্ত্ৰী) অধ্যক্ষ মহোদয় সদস্য জনে যিবোৰ কথা উত্থাপন কৰিছে সেইবোৰ একো নতুন কথা নহয়, আগতে উত্থাপন কৰা কথা। সেইবোৰৰ যথাযথ উত্তৰ মই দি গৈছো। বিৰোধী পক্ষৰ বুলি কেতিয়াও বিৰোধিতা কৰা নাই। তেখেতসকলৰ কথা মই ভালকৈ উপলব্ধি কৰিছো। কিন্তু এটা কথা বৰকৈ কৈছে যে ৰেহাই দিয়া হৈছে। এইটো ৰেহাই নহয়। মাত্ৰ আগতে ৩ মাহ সময় পাইছিল আৰু এতিয়া এমাহ পাব। জানুৱাৰীৰ কেইদিনমান যাওঁতে গাৰী খন বেয়া হৈ এপ্ৰিলৰ শেষৰ ফালে যদি ভাল হয় তেন্তে ৩ মাহ সময় পাইছিল আৰু এতিয়া এমাহ পাব। তেখেতে কৈছে যে

কৰ আদায় নিদিয়ে বা ফাকি দিয়াত সুবিধা হব। যাতে কৰ বেচি আদায় হয় সেই বাবেই এই ব্যৱস্থা কৰা হৈছে। বহুত মালিকে কৰ ধাৰ্য্যৰ ওপৰত আপীল কৰে, কেতিয়াবা উপায়ুক্তৰ ওচৰত বা অন্যান্য বিষয়াৰ ওচৰত আপীল কৰে আৰু সেই দৰে সময় লয়। তেখেতে কৈছে যে অফিচৰবিলাক দূনীতিৰে ভৰি আছে। এতিয়া আগৰ অৱস্থা নাই, বহুত কমি গৈছে।

বজাৰ বাচবিলাকে অৱশ্যে বহুত সুবিধা পাই আছে। এইটোও ঠিক কৰিবলৈ চেষ্টা কৰা হৈছে আৰু এপ্ৰিল আগতে হব বুলি আশা কৰিব পাৰি। টেক্সি আৰু অটো ৰিকচা দিয়া হৈছে যাত্ৰীৰ সুবিধাৰ বাবে।

শ্ৰীকবীৰচন্দ্ৰ ৰায়প্ৰধানী :—এতিয়াও গুৱাহাটীত চাৰে সাত বজাৰ পিচত টেক্সি বা অট একো নেপায় বিশেষকৈ দিচপুৰলৈ অহা বৰ অসুবিধা। মহোদয়, গুৱাহাটীৰ পৰা আহিবলৈ হলে ৭.৩০ বজাৰ পিচত কোনো বাচ পাবলৈ নাই। এদিন কেইবাজনো অফিচাৰৰ লগত মই নিজে থাকি বাচ পোৱা নাই।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : বেচি ৰাতি হলে অৱশ্যে বাচ বন্ধ হয়। ইয়াৰোপাৰি কিছুদিনৰ আগতে বজাৰ বিলাক সোনকালে বন্ধ হোৱাৰ কাৰণে বাচৰ ব্যৱস্থা কম আছিল।

শ্ৰীগিয়াচুদ্দিন আহম্মদ : ৰাজধানী অঞ্চলৰ মানুহে পৰিবহন সংক্ৰান্তত দুৰ্ভোগ যে ভোগ কৰিছে এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : আমাৰ ইয়াত কিছুদিনৰ আগতে প্ৰায় ৭০-৮০ খন মান চিটি বাচ আছিল। এতিয়া তাৰ ঠাইত ১৩০ খনমান হৈছে। কেতিয়াবা ইখনৰ পিচত সি খন বাচ লাগি গৈ থাকে। এতিয়া চিটবাচৰ মালিক সকলে আপত্তি কৰিছে যে ৰাজধানীলৈকে সকলো সময়তে পেচেঞ্জাৰ পোৱা নাযায়। গতিকে মই এই কথাটো বিশ্বাস কৰিবলৈ টান পাইছো। ইয়াৰ উপৰি দিশপুৰত যিটো ষ্টেট ট্ৰেন্সপৰ্ট আছে তাত ৯ আৰু ৯.৩০ বজাত পেচেঞ্জাৰৰ অভাৱত গাড়ী এনেই ৰৈ থাকে।

শ্ৰীগিয়াচুদ্দিন আহম্মদ : দিশপুৰৰ পৰা আমাৰ মাননীয় সদস্য সকল গুৱাহাটীলৈ গৈ নানা ৰকমৰ মিটিং এটেণ্ড কৰোতে কেতিয়াবা ৰাতি ১০-১১ বাজে। তেতিয়া তাৰ পৰা ঘুৰি আহিবৰ কাৰণে গাড়ীৰ বিশেষ ব্যৱস্থা নোহোৱাত অসুবিধা হয়। গতিকে ৰাজধানীত এটা অট টেক্সী ৰখাৰ ব্যৱস্থা কৰিলে ভাল হয়।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : টেক্সী ষ্টেণ্ড কৰা হৈছে। কিন্তু এই ষ্টেণ্ড, ষ্টেণ্ড হৈয়ে থাকিল।

শ্ৰীগিয়াচুদ্দিন আহম্মদ : আমি ৰাতি পল্টন বজাৰলৈ যাব লগা হলে টেক্সীত ২০-২৫ টকা দিব লগা হয়। গতিকে ইয়াৰ কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) : ইমান ৰাতি যাবলৈ হলে দামো ভৰিব লাগিব।

**Mr. Speaker :**— The motion before the House is that the Assam Motor Vehicles Taxation ( Amendment ) Bill, 1976 be passed.

( After a pause )

The motion is passed and the Bill is passed. Now item No. 7.

## THE ASSAM LAND REVENUE AND RENT (SURCHARGE) (AMENDMENT) BILL, 1976.

**Dr; Bhumidhar Barman** – Sir, I beg to move that the Assam Land Revenue and Rent ( Surcharge ) ( Amendment ) Bill, 1976 be taken into consideration.

শ্ৰীকবীৰ ৰায় প্ৰধানী : অধ্যক্ষ মহোদয়, মই এই খিনিতে এটা কথা বিছাৰিছো যে যিটো পদ্ধতি কৰিছে সেইটো সংশোধন ভাল হৈছে। কিন্তু কাৰ্য্য ক্ষেত্ৰত এইটো ঠিক হোৱা নাই। আজিৰ দুখীয়া ৰাইজে মাটিত খাজনা দিছে। সেই খাজনা জমা হোৱা নাই। ৰাইজৰ হাতত ৰচিদ থাকে কিন্তু টকা জমা নহয়। মই এটা উদাহৰণ দিও এখন বহীত প্ৰথম পেজত শ্ৰীযাদবানন্দ অধিকাৰীয়ে ১১৯ টকা খাজনা জমা দিছিল। দুই নং পৃষ্ঠাত মঞ্জুৰ আলিয়ে খাজনা দিছিল দুটকা। এইদৰে বহুত টকা সংগ্ৰহ হৈছে কিন্তু তফিচত টকা জমা হোৱা নাই।

অধ্যক্ষ : আপোনাৰ কথা বিলাক পইন্টত অহা নাই নেকি ?

**Shri Giasuddin Ahmed** - Sir, a point of order. The statement of object and reasons is " In the Districts under Settlement/ Resettlement operation the revenue records remain with the Settlement officers and the Assistant Settlement officers. As such, it is considered expedient to include the Assistant Settlement officer in the defination of Sub - Deputy collector. It has also become necessary to expand the defination of the appellate authority for administrative convenience". Now I submit that according to rule the discussion should be within the scope of the Bill. I do not understand whether the hon'ble member is discussing within the scope of the bill.

**Mr. Speaker** - I have told him that already.

**শ্ৰীকবীৰ ৰায়প্ৰধানী** : দায়িত্ব সম্পৰ্কে মই এই কথা কবলৈ গৈছো। নামত যিয়েই নাথাকক কলেক্টৰে হওক বা এচিচটেণ্ট চেটেলমেণ্ট অফিচৰেই হওক মই মাত্ৰ দৃষ্টি আকৰ্ষন কৰিবলৈ কৈছো। আজিৰ জৰুৰী কালিন অৱস্থাটো এই কাম বিলাক সুকলমে হোৱা নাই। গতিকে এই লোক সকলক হেনকাপ লগাব লাগে। আজি গোলোকগঞ্জ আগমনে আদি ঠাইত এক ঠাই ৮০ হাজাৰ টকা আৰু এক ঠাইত প্ৰায় - এক লখ টকা খাজনা জমা দিয়া হোৱা নাই। গতিকে এই বিলাক ভালকৈ সংশোধন কৰিবলৈ চাব লাগে।

**ডঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী)** এই কথা বিলাক প্ৰতিধান যোগ্য। গতিকে মোক জনালে মই নিশ্চয় ইয়াৰ ব্যৱস্থা কৰিম।

**Mr. Speaker** : The question before the House is that " The Assam Land Revenue and Rent ' ( Surcharge ) ( Amendment ) Bill, 1976 be taken into consideration. ( The motion ) is passed. )

**Dr. Bhumidhar Barman. ( Minister )** ; Sir , I beg to move that the Assam Land Revenue and Rent ( Surcharge ) ( Amendment ) Bill, 1976 be passed.

* শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— মাননীয় অধ্যক্ষ মহোদয়, মই বিলখনৰ বিৰোধীতা কৰা নাই মাত্ৰ এটা কথাৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো। ইয়াত যিটো এপিলেণ্ট এথৰিটি বুল কোৱা হৈছে সেই খিনিৰ ওপৰত কৰ লগা হৈছে। ৰাজহ আইনমতে মহকুমাধিপতিজন এপিলেণ্ট এথৰিটি আৰু কলেক্টৰ বুলিও কোৱা হয়।

এই মহকুমাধিপতি বিলাকৰ ওচৰত এপিল কেচ বহুতদিনৰ পৰা পৰি থাকে। কিছুমান ঠাইত ১০ বছৰ পৰ্য্যন্ত পৰি আছে কাৰণ তেওঁলোকৰ কেচ শুনিবলৈ সময় নাই। আমি তাৰ কাৰণে মহকুমাধিপতি বিলাকক দোষাৰোপ নকৰো কাৰণ তেওঁলোক বহুত প্ৰশাসনীয় কামত ব্যস্ত থাকিবলগীয়া হয়। গতিকে নামজাৰী বা চিলিং কেচ বিলাক এপিল হিচাবে আহিব পাৰে সেই বিলাক বহুত দিন পৰি থাকে আৰু তাৰ ফলত লিটিগেণ্ট বিলাকে চাকাৰ কৰিব লাগে আৰু সেই হৰত সিদ্ধান্ত নোহোৱাৰ বাবে চৰকাৰেও সিদ্ধান্ত লোৱাত বহুত দেৰী হৈ যায়। গতিকে এই কলেক্টৰ সকলে যাতে সোনকালে চিলিং কেচ বিলাক শুনে তাৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা লব লাগে।

ডাঃ ভূমিধৰ বৰ্ম্মণ (ৰাজিয়ক মন্ত্ৰী) :— এই এপিল কেচ বিলাক সাধাৰণতে শুনাৰ কাৰণে সদৰত একোজন এচ দি ও থাকে আৰু তেওঁলোক কেতিয়াবা ইফাল সিফাল হলে কেচ শুনাত দেৰী হয়। আমি সেই কাৰণে উপাযুক্ত অতিৰিক্ত উপাযুক্ত সকলো কলেক্টৰ কৰিছো। মাননীয় সদস্য শ্ৰীতালুকদাৰ ডাঙৰীয়াই ভাল পৰামৰ্শই দিছে। এপিল কেচ বিলাক সোনকালে নিষ্পত্তি হোৱাৰো আমিও বিছাৰো। গতিকে আমি চেষ্টাৰ ত্ৰুটি কৰা নাই।

Mr. Speaker : The question before the House is that "The Assam Land Revenue and Rent ( Surcharge ) (Amendment) Bill, 1976, be pased. ( After a pause )— The motion is passed.

শ্ৰী গয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয় সিদিনা অসমত অন্তৰ্জাতিক মহিলাবৰ্ষৰ সাফল্য সম্পৰ্কে এটা প্ৰশ্ন উত্থাপন কৰা হৈছিল আৰু সেই প্ৰশ্নৰ উত্তৰত সংশ্লিষ্ট মন্ত্ৰী গৰাকীয়ে কিছুমান উত্তৰ দিছিল, কিন্তু এই টা ইমান এটা গুৰুত্বপুৰ্ণ কথা যে সেইখিনি উত্তৰে যথা যোগ্য নহয় আৰু সেই কাৰণে এই আলোচনাৰ অৱতাৰনা কৰা হৈছে। ১৯৭৫ চনটোক আন্তৰ্জাতিক মহিলাবৰ্ষ বুলি ঘোষণা কৰা হৈছে। যদিও এই বছৰটো শেষ হ'ল তথাপি আন্তৰ্জাতিক মহিলাবৰ্ষৰ উদ্দেশ্যে বা লক্ষ্য ভাৰতবৰ্ষত বিশেষ কৰি আমাৰ দেশত কিমান সফল হৈছে তাৰ আলোচনা নিশ্চয় দৰ্কাৰ। এই বিষয়ে পৰ্য্যালোচনা হোৱা উচিত। মহিলাবৰ্ষ শেষ হ'ল যদিও তাৰ আচনি বিলাক কাৰ্য কৰী কৰাৰ কাৰণে পলমকৈ হলেও আমি চেষ্টা কৰিবই লাগিব। আন্তৰ্জাতিক মহিলাবৰ্ষৰ প্ৰথম কথা হ'ল—নাৰী আৰু পুৰুষৰ মাজত সমান অধিকাৰ——ইংৰাজীত——২নং কথা হৈছে সমাজ আৰু সামাজিক অৰ্থনীতি বিকাশৰ ক্ষেত্ৰত নাৰীৰ পূৰ্ণ সহযোগিতা, আন্তৰ্জাতিক সংহতিৰ ক্ষেত্ৰত নাৰীৰ অৱদান—প্ৰগতিশীল আৰু প্ৰতিক্ৰিয়াশীল শক্তি সমুহৰ মাজত যি সংঘৰ্ষ চলিছে সেই সংঘৰ্ষত নাৰী জাতিৰ প্ৰগতিশীল শক্তিৰ লগত সহযোগিতা সকলো শ্ৰেনীৰ মাজত বৈষম্য দুৰ কৰা আৰু দেশৰ বিভিন্ন জতী আৰু বিভিন্ন ৰাষ্ট্ৰৰ মাজত মিলাপ্ৰিতি আনি দিয়াত নাৰীয়ে বিৰাট অবদান দিব পাৰে। গোটেই বিশ্বত নাৰী জাতিৰ এটা উল্লেখযোগ্য ভূমিকা আছে। তথাপিও আজি নাৰী জাতি সামাজিক অৰ্থ-নৈতিক ক্ষেত্ৰত ইমান পিচ পৰি আছে। আজি নাৰী জাতীয়ে মানৱ জাতিৰ উজ্জ্বল ভৱিষ্যতত এটা বিৰাট অৱদান দি থকা স্বত্বেও নাৰীয়ে মানৱ সমাজত উপযুক্ত সন্মান পোৱা নাই। সেই কাৰণে আজি নাৰীজাতিৰ সমস্যা সম্পৰ্কে এটা আলোচনা দৰ্কাৰ হৈ পৰিছে, আৰু নাৰী সমাজক পুৰুষৰ সমকক্ষ কৰাৰ বাবে আচনি গ্ৰহণ কৰা উচিত। আমি পুৰুষজাতিয়ে নাৰী সমাজক ভৰীৰ তলত ৰখা, নাৰী জাতিৰ ওপৰত পুৰুষৰ জন্মগতভাৱে আধিপত্য বিস্তাৰ কৰাৰ অধিকাৰ ভগৱানে দিছে বুলি পুৰুষৰ মাজত যি মনোভাৱ আছে সেই মনোভাৱ পৰিহাৰ কৰিব লাগিব।

সামন্তবাদৰ সৃষ্টিৰ পৰাই মহিলা জাতিৰ ওপৰত পুৰুষৰ প্ৰভুত্ব চলি আছে। অতীজৰে বাইবেলত কোৱা হ'ল—ইভৰ প্ৰৰোচনাত আদমে নিষিদ্ধ ফল ভক্ষণ কৰি মানৱ জাতিৰ দুৰ্দশা সৃষ্টি কৰিছে। এনেধৰণে মহিলাক দোষী সাব্যস্ত কৰি এটা ধৰ্মীয় বিশ্বাস সকলোৰে মনত সুমাই দিলে আৰু তেতিয়াৰে পৰা অকল পুৰুষেই যে মহিলা সকলৰ প্ৰতি হীন মনোভাৱ পোষণ কৰি আহিছে তেনে নহয় মহিলা সকলেও নিজক পুৰুষতকৈ হীন বুলি নিজৰ এটা হীন মনোবৃত্তিৰ সৃষ্টি কৰিছে। আৰু এনে এটা ভাৱেই নাৰী সকলোকে দ্বিতীয় শ্ৰেণীৰ স্থানত পৰিনত কৰিছে। এইটো মনোভাৱ অকল যে পুৰুষৰ ভিতৰতে আছে তেনে নহয় নাৰী সকলৰ ভিতৰতো এই ভাৱটোৱে দৃঢ় হৈ আছে। আৰু বিয়াৰ পিচত নাৰীয়ে স্বামীক দেৱতাৰ দৰে ভাবিব লাগিব।

(কোৰাম নোহোৱাৰ কাৰণে ঘন্টেকৰ কাৰণে ভাষণ বন্ধ থাকে)

মাননীয় অধ্যক্ষ :—আপুনি মূল বিষয়টোৰ আলোচনালৈ আহক নহলে তাতো আকৌ কৰাপ্চন সোমাব।

শ্ৰীগিয়াচুদ্দিন আমেদ :—মহোদয়, মই এতিয়াও পাতনিতে আছো। আৰু এনে হীন মনোভাৱৰ ফলতেই আজিলৈকে এই নাৰী জাতি পুৰুষ জাতিৰ তলত পৰি আছে। শিক্ষাৰ দিনৰ পৰা জীৱনৰ সকলো দিশৰ পৰা নাৰী জাতি যুগ যুগ ধৰি তলত পৰি আছে। এতিয়ালৈকে পুৰুষ জন লম্পট হলেও ঘৈনীয়েক জনী সীতা সাবিত্ৰী হৈ থাকিব লাগিব। এনেদৰে এই পুৰুষ সকলে নাৰী সকলক শোষণ কৰি আহিছে। আজি যেনেকৈ ধনীয়ে দুখীয়াৰ ওপৰত শোষণ কৰিছে, পুঁজিপতিয়ে বনুৱা সকলক শোষণ কৰিছে, জমিদাৰে ৰায়তক শোষণ কৰিছে ঠিক তেনেৰকমে পুৰুষেও নাৰীক যুগ যুগ ধৰি শোষণ কৰিছে। ইয়াৰ দ্বাৰা মানৱ জাতিৰ প্ৰগতি হওক চাৰি অৱনতিয়েহে হৈছে। কাৰণ যি নাৰী জাতিয়ে সমাজৰ এটা মূল্যবান অৱদান দিব পাৰিলেহেতেন তাঁৰ পৰা অকল তেওঁলোকেই বঞ্চিত হোৱা নাই, সমগ্ৰ মানৱ জাতিয়ে বঞ্চিত হৈছে। এই বিলাকলৈ লক্ষ্য কৰি জাতিসংঘই নাৰী

জাতিক উৎসাহ-উদ্দিপনা যোগোৱাৰ অৰ্থে ১৯৭৫ চনটো আন্তজাতিক নাৰী জাগৰণৰ এটা বৰ্ষ হিচাবে পালন কৰিবলৈ যি আহ্বান দিছে তাক আমাৰ পুৰুষ সকলে সাৰ্থক কৰিবলৈ চেষ্টা কৰা উচিত। পৃথিবীৰ প্ৰায় বিলাক দেশেই এই জাতি সংঘৰ সদস্য সেই অনুসৰি পৃথিবীৰ প্ৰায় বিলাক দেশতেই আন্তজাতিক মহিলাবৰ্ষৰ উপলক্ষে নাৰী জাতিৰ কল্যানৰ বাবে কিছুমান আচনি গ্ৰহন কৰিছে। ঠিক সেই দৰে আমাৰ দেশতো কিছুমান আচনি গ্ৰহণ কৰিছে। সেই অনুসাৰে অসমতো কিছুমান আচনি গ্ৰহণ কৰিছে। বৰ্ত্তমানে আমি মুঠ ২২ টা প্ৰগ্ৰাম পাইছো। আন্তৰ্জাতিক মহিলা বৰ্ষৰ উদ্দেশ্য আৰু লক্ষ্য এই ২২ টা প্ৰগ্ৰেমৰ মাজেৰে কাৰ্য্যকৰী কৰিব পাৰিবনে নোৱাৰি সেই কথাটো চাব লাগে। ইয়াত ১ নংৰ পৰা ২২ নং লৈ যি কেইটা আচনি দিছে এই আচনি বিলাকৰ এটাও এতিয়ালৈকে আমাৰ ইয়াত কাৰ্য্যকৰী হোৱা নাই যেনে—

Educational facilities for School going girls, establishment of working women's hostel, I, T, I, training, 50 beded maternity hospital, establishment of working women's hospital for 50 women at Dispur, Cachar and Dibrugarh,

আই, টি, আই, ত মহিলা সকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা মহিলাসকলৰ নিৰক্ষতা দূৰীকৰণৰ ব্যৱস্থা কৰা, দুটা ডেষ্ট্ৰিটিউট হোম নিৰ্মাণ কৰা, গোৱালপাৰা আৰু গুৱাহাটীত ৫০ খন বেডনাৰে এটা মেটাৰনিটি হস্পিটেল নিৰ্মাণ কৰা ইত্যাদি.........হৈছে, অৱশ্যে এই বিলাক আদৰ্শ হিচাবে ভাল আচনি হৈছে কিন্তু এই আচনি বিলাকে নাৰী সমাজৰ সমস্যা বিলাক সমাধান কৰিব পাৰিবনে নোৱাৰে তাক চাব লাগিব। ৰক্ষণশীল পুৰুষ সমাজে আজিলৈকে এই ভাৱকেই পোষণ কৰে যে বিয়া হোৱাৰ পিচত নাৰী সকলৰ প্ৰধান কৰ্তব্য হ'ল সুযোগ্য মাতৃ হোৱা, পতিব্ৰতা ঘৈণীয়েক হোৱা, বেমাৰত লৰা-ছোৱালীক শুশ্ৰূষা কৰা, ঘৰ খনৰ তত্বাবধান লোৱা ইত্যাদি চিন্তা-ধাৰাই এতিয়াও আমাৰ মাজত চলি আছে। এতিয়াও আমাৰ যিমানেই মুক্ত চিন্তাধাৰাৰ নাৰী নহওক কিয় সেই হীন মন্যতা আঁতৰিব পৰা নাই। বৰ্তমান কিছুমানে শিক্ষিতা হৈ চাকৰি কৰি ও আছে। সেই নাৰী

সকলৰ প্ৰৱিশ্ৰমৰ মাত্ৰা দুগুন হ'ল। এক েঘৰ খনৰ ভাত ৰন্ধাৰ পৰা লৰাছোৱালীক খুওৱা বেমাৰত শুশ্ৰূষা কৰা, আদি কৰ্তব্য সম্পুৰ্ণ ৰূপে পালন কৰাৰ পিচত অফিচৰ কাম কৰিব লাগিব। কিন্তু এতিয়ালৈকে আন্তৰ্জাতিক মহিলা সমাজে নাৰী কল্যানৰ কাম কৰি থাকি আজিলৈকে নাৰী সমাজত কোনো উন্নত ভাৱধাৰাৰ বিকিৰণ কৰি পুৰণি ভাৱধাৰা সলনি কৰিব পাৰিছে নে? আজি এই যে ৫০ জন বিছনা এখন হস্পিটেল পালেই নাৰী সমাজৰ সমস্যা সমাধান হব নে? এই হস্পিটাল খন অকল দিশপুৰত নিৰ্মান কৰিলেই নাৰী সমাজৰ সমস্যা সমাধান নহয়। তাৰ লগতে প্ৰত্যেক ঠাইতে শিশু সকলৰ ভৰণ-পোশণৰ বাবে কিছুমান ক্ৰেচ, নিৰ্মাণ কৰি দিব লাগিব।

আৰু তাত লৰা-ছোৱালীবিলাকক ৰখা-মেলাৰ কাৰণে এটা সুবিধা জনক ব্যৱস্থা কৰিব লাগে। এই যে ৫০ জনীয়া হোষ্টেল কৰা কথাটো আমি নীতি-গত ভাৱে মানি লৈছো বা গ্ৰহন কৰিছো কিন্তু ইয়াৰ দ্বাৰাই নাৰী জাতিৰ ঘৰুৱা জঞ্জাল বা বেমেজালিৰ পৰা মুক্ত পোৱা ইত্যাদি আদৰ্শ কেতিয়াও সম্পূৰ্ণ ৰুপে কাৰ্য্যকৰী নহব। সেই কাৰণে ইয়াৰ লগতে সেই ঠাইতে লৰা-ছোৱালী ৰখাৰ কাৰণে 'ক্ৰেচ' গঠন কৰাৰ কাৰণে এটা ব্যৱস্থা কৰিব লাগে। আজি আমাৰ এই ডেৰকোটি জন সংখ্যাৰ ভিতৰত প্ৰায় আধাখিনিয়েই নাৰী কিন্তু এই বৃহৎ সংখ্যক নাৰীয়ে সকলো দিশতেই বিশেষকৈ অৰ্থনৈতিক দিশত পুৰুষৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়, অৰ্থ নৈতিক ক্ষেত্ৰত নাৰীয়ে পুৰুষৰ ওপৰত নিৰ্ভৰ কৰি থাকিব লগীয়া হোৱাত যুগ যুগ ধৰি তেওঁলোকে পুৰুষৰ অত্যাচাৰ অবিচাৰ ব্যভিচাৰ আৰু শোষন নিৰৱে সহ্য কৰি আহিছে। সেই কাৰণে আজি আমাৰ নাৰী সকলক অৰ্থ নৈতিক ভাৱে স্বাৱলম্বী কৰি তুলিব লাগিব যাতে তেওঁলোকে এই অনাচাৰ ব্যভিচাৰৰ পৰা মুক্ত হয়। চৰকাৰে আজি নিয়োগৰ ক্ষেত্ৰত মহকুমা ভিত্তিত জনসংখ্যাৰ গঠন (Population pettern) প্ৰতিফলিত কৰাৰ সিদ্ধান্ত কৰিছে। এই প্ৰস্তাৱিত ব্যৱস্থা অনুসৰি বিভিন্ন পিচ পৰা জাতি উপজাতি যেনে অনুসূচিত জাতি আৰু জনজাতিৰ অন্যান্য পিচ পৰা জাতি আৰু

অন্যান্য সকলো সম্পদায় উপকৃত হব বুলি আশা কৰা হৈছে। অতএব আমাৰ সমাজৰ আধা অংশ আটাইতকৈ পিচপৰা এই প্ৰায় আধাখিনি জনসংখ্যা নাৰী, গতিকে এই জনসংখ্যাৰ ওপৰত প্ৰতিফলন নাৰী সমাজ কিয় উক্ত নীতিৰ সুফলৰ পৰা বঞ্চিত হব ? নিশ্চয় জনসংখ্যা অনুপাতে নাৰীয়ে আন আন সম্প্ৰদায়ৰ দৰে নিয়োগৰ সুবিধা পাব লাগে যাতে তেওঁলোকে পুৰুষৰ সমানে অৰ্থ-নৈতিক ভাৱে স্বাৱলম্বী হব পাৰে। সেই কাৰণে কৈছো, নাৰীসকল অত্যন্ত পিছপৰা আৰু অৱহেলিত হৈ আছে। ১৯৭৫ চনতো আন্তৰ্জাতিক মহিলা বৰ্ষ হিচাবে পালন কৰা ,ঘোষনাতো মহিলা সকলে কৰা নাই, কৰিছে পুৰুষ সকলেহে গতিকে বুজক কিমান পিছপৰি আছে দেশৰ মহিলা সকল। গতিকে এই পিছপৰা মহিলা সকলক যদি আমি প্ৰগতিৰ পথত আগুৱাই নিব নোৱাৰো। তেতিয়াহলে আমাৰ ভবিষ্যত কেতিয়াও উজ্বল নহব।

মিষ্টাৰ স্পীকাৰ : আপুনি শেষ কৰক।

শ্ৰীগিয়াচুদ্দীন আহম্মদ : চাকাৰী চাকৰীৰ আধা অংশই মহিলা সকলক দিব লাগিব। (উইচ : এম, এল, এ ?)

নিশ্চয় এম, এল, এ আধা মহিলা হব লাগে।

মাননীয় পুৰুষ সদস্য সকলে যদি বেয়া পায়, পাওক, মোৰ আপত্তি নাই। আমাৰ কৰ্ম্মৰত জনতাৰ মাজত পুৰুষৰ সংখ্যা হ'ল শতকৰা ৪৮·৮ আৰু মহিলাৰ সংখ্যা ৫·৩ জনসংখ্যাৰ আধা অংশ মহিলা হোৱা স্বত্বেও কৰ্ম্ম ক্ষেত্ৰত নাড়ী পুৰুষৰ এই বৈষম্য অত্যন্ত পৰিতাপৰ কথা। গতিকে নিয়োগৰ ক্ষেত্ৰত পপোলেশ্যন পেটাৰ্ণ Reflect কৰিবলৈ গৈ চৰকাৰে মহিলা সকলৰ এই কথা মনত ৰাখিব লাগিব। ২২ দফিয়া আচনি সম্পূৰ্ণৰূপে ৰাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে দীৰ্ঘম্যাদি পৰিকল্পনা চৰকাৰে গ্ৰহন কৰক। এইটো খাতাং কথা যে আমাৰ দেশ খনক সামাজিক আৰু অৰ্থ নৈতিক ভাৱে আগুৱাই নিবলৈ হলে মহিলা সকলকো আগুৱাই নিব লাগিব। আমি এইটো লক্ষ্য কৰিছো যে যিমান অপকৰ্ম্ম আছে সেই সকলো অপকৰ্ম্ম পুৰুষেই কৰে। মহিলাৰ অপকৰ্ম্মৰ সংখ্যা একেবাৰে কম, এনেকুৱা এটা উদাৰ মহত্ব ভৱিষ্যত সম্ভাৱনা থকা

সম্প্ৰদায় নাৰী জাতিক আমি আগ বঢ়াই নিবই লাগিব তেতিয়াহে সমাজৰ সৰ্ব্বাঙ্গিন উন্নতি সাধন হব। সেই কাৰণেই আন্তৰ্জ্জাতিক মহিলা বৰ্ষ শেষ হৈছে যদিও তাৰ উদ্দেশ্য আৰু লক্ষ্য সন্মুখত ৰাখি দীৰ্ঘম্যাদি পৰিকল্পনা গ্ৰহন কৰি তাক বাস্তৱত সফল ৰূপ দিব লাগিব। এই খিনকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী):—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই আন্তজাতিক নাৰীবৰ্ষ পালনৰ তাৎপৰ্য্য বিশ্লেষণ কৰি যি উদ্দেশ্যে আৰু লক্ষ্য আগত ৰাখি এই আন্তজাতিক নাৰীবৰ্ষ পালন কৰা হৈছে তাত তেখেতে সম্পুৰ্ণৰূপেই সমৰ্থন জনাইছে। তাৰ কাৰণে তেখেতক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে তেখেতে নাৰী আৰু পুৰুষৰ মাজত থকা বৈষম্য আতৰ কৰিবৰ কাৰণেও পৰামৰ্শ আগবঢ়াইছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰে লোৱা আচনি বিলাক কাৰ্য্যকৰী কৰিবৰ সময়ত তেখেতে আগবঢ়োৱা এই পৰামৰ্শ বিলাক বিবেচনা কৰি তাক সুকলমে আৰু কৃতকাৰ্য্যতাৰে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰা হব। আন্তজাতিক মহিলা বৰ্ষ পালনৰ ক্ষেত্ৰত চৰকাৰে লোৱা ২২ দফীয়া আচনিৰ বিষয়েও তেখেতে এটা পৰামৰ্শ আগ বঢ়াইছে যে, দীৰ্ঘম্যাদী ব্যৱস্থাৰে এই আচনি বিলাক কাৰ্য্যকৰী কৰিব লাগিব। চৰকাৰৰো সেই একেই উদ্দেশ্য এইটো এনেকুৱা এটা সমস্যা যিটো সমস্যা একেদিনাই সমাধান কৰিব নোৱাৰি। তাৰ কাৰণে দীৰ্ঘম্যাদী কিছুমান ব্যৱস্থা লব লাগিব। ৰাষ্ট্ৰীয় পৰ্য্যায়তো ২২ দফীয়া আচনি গ্ৰহণ কৰিছে সেই আচনি বিলাক ৰাজ্যিক চৰকাৰে পৰীক্ষা নিৰীক্ষা কৰি আছে আৰু সেই বিলাক এটা এটাকৈ কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত লব। যি বিলাক তিৰুতাই ফেক্টৰী বা কৃষি আদিৰ কামত নিয়োজিত সেই বিলাক মহিলাৰ লৰা-ছোৱালী বিলাক তত্বাবধান লবৰ কাৰণে কিছুমান তত্বাবধায়ক অনুষ্ঠান গঠন কৰিবৰ কাৰণেও তেখেতে পৰামৰ্শ আগবঢ়াইছে। ৰাষ্ট্ৰীয় পৰ্য্যায়ত যি আচনি লোৱা হৈছে তাত এই কথা অন্তভুক্ত হৈছে আৰু সেই আচনি যেতিয়া কাৰ্য্যকৰী কৰা হব তেতিয়া চৰকাৰে যাৱতীয় ব্যৱস্থা

লব। লগতে মাননীয় সন্মানিত সদস্য সকলে এই কথাটোও উপলব্ধি কৰিব যে, দীৰ্ঘম্যাদী ব্যৱস্থাত কৰিব নোৱাৰিলে এই কাম কেতিয়াও অলপ দিনৰ ভিতৰতে কৰিব নোৱাৰে। এই সন্দৰ্ভত অহা প্ৰশ্নোত্তৰত মই কৈছিলো যে, আমাৰ সমাজত থকা সামাজিক আৰু ধৰ্মীয় কেৰোণ বিলাক নাইকীয়া কৰিবৰ কাৰণে দেশৰ তথা সমাজৰ নাৰী পুৰুষৰ মাজত থকা বৈষম্য আঁতৰ কৰিব পৰা যাব। লগতে প্ৰশ্নোত্তৰত মই আন্তৰ্জাতিক মহিলা বৰ্ষপালন কৰা সিওঁ এটা উদ্দেশ্য বুলি মই কৈছিলো। মাননীয় সদস্য জনে এই প্ৰস্তাৱটোও দাঙি ধৰিছিল যে, নাৰী সকলৰ মাজত জাগৰণ আনিব নোৱাৰিলে সমাজৰ আৰ্থিক আৰু সামাজিক পৰিবৰ্ত্তন কেতিয়াও আনিব নোৱাৰিব। গাওঁ পৰ্য্যায়লৈকে এই জাগৰণ আনিব লাগিব। তাৰ লগে লগে পুৰুষ সকলৰ মাজতো জাগৰণ আনিব লাগিব। এইটো কৰিব পাৰিলেহে এনেকুৱা এটা ডাঙৰ সমস্যা সমাধান কৰিব পৰা যায়। নাৰী-পুৰুষ উভয়ৰে সহযোগ ইয়াৰ কাৰণে অপৰিহাৰ্য্য মাননীয় সদস্যা জনে আগবঢ়োৱা সকলো খিনি পৰামৰ্শকেই ২২ দফীয়া আচনি কাৰ্য্যকৰী কৰাৰ সময়ত কেনেকৈ গ্ৰহণ কৰিব পৰা যায় সেইটো বিবেচনা কৰা হব। মই ইয়াকে কৈ সামৰণী মাৰিলো"।

**Mr. Speaker**—The House stands adjourned till 9 a. m. tomorrow, the 20 th February.

## ADJOURNMENT

The House then rose at 3.35 P.M. and stood adjourned till 9. A.m. on Friday, the 20th February, 1976.

Dispur
The 19th February, 1976.

P. D. BARUA.
Secretary,
Assam Legislative Assembly.